RNI TITLE CODE- ASSASS01435

# অসমীয়া বৰ্তমান

ASOMIYA BARTAMAN ■ ASSAMESE WEEKLY ■ Volume -1 ■ Issue-16 ■ Total Page-16 ■ 1 DECEMBER 2023 ■ Guwahati ■ Rs. 10/- Only

অসমীয়া বৰ্তমান ■ অসমীয়া সাপ্তাহিক ■ প্ৰথম বছৰ ■ সংখ্যা- ১৬ ■ ১ ডিচেম্বৰ ২০২৩, শুকুৰবাৰ ■ গুৱাহাটী ■ মূল্য ঃ দহ টকা



# ‘কা’ আহি আছে..

## কোনেও নোৱাৰে ৰখাব ঃ অমিত শ্বাহ

**বৰ্তমান সংবাদ ঃ** আৰু কেইমাহমানৰ পিছত দেশত লোকসভা নিৰ্বাচন। তাৰ আগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ধৰ্মতলা বৈঠকৰ পৰা পুনৰ ‘কা’ বিষয়টো উত্থাপন কৰে। তেওঁ মমতা বেনাৰ্জীক প্ৰত্যাহ্বান জনাই কয় যে ‘কা’ সমগ্ৰ দেশৰ আইন। বংগ চৰকাৰে এই আইনখন ৰোধ কৰিব নোৱাৰিব। ২০১৯ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে মাতুৱাক নাগৰিকত্বৰ প্ৰতিশ্ৰুতি দিছিল। ক্ষমতালৈ ঘূৰি আহি সংসদতো আইনখন গৃহীত হ’ল। ইয়াৰ পিছত সমগ্ৰ দেশতে প্ৰতিবাদৰ ধুমুহা সৃষ্টি হয়। ইয়াৰ পিছত সংশোধিত নাগৰিকত্ব আইন কাৰ্যকৰী কৰাৰ পৰিৱৰ্তে কৰ’না মহামাৰীৰ বাবে এই আইনখন স্থগিত ৰখা হ’ল। তেতিয়াৰ পৰাই ৰাজ্যখনৰ মাতুৱাসকলৰ মাজত অসন্তুষ্টি বাঢ়িবলৈ আৰম্ভ কৰিছে। ইয়াৰ পূৰ্বে ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে এই আইনখন শীঘ্ৰে কাৰ্যকৰী কৰাৰ প্ৰতিশ্ৰুতি (চতুৰ্দশ পৃষ্ঠালৈ)

# ৰাজ্যত বিদ্ৰোহৰ উকমুকনি

## যৌথ প্ৰতিবাদৰ হুংকাৰ বিৰোধীৰ ঃ জে’ল যাবলৈও সাজু কৃষক মুক্তি-ছাত্ৰ মুক্তি


**বৰ্তমান সংবাদ ঃ অসমৰ বিৰোধী দলসমূহে কাৰ্যপায়ণৰ প্ৰতিহত** অসমৰ বিৰোধী দলসমূহে নাগৰিকত্ব (সংশোধনী) আইন চমুকৈ ‘কা’ কাৰ্যকৰী কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে লোৱা যিকোনো পদক্ষেপৰ বিৰোধিতা কৰিব বুলি কয়, কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰী অজয় মিশ্ৰই মাৰ্চ মাহৰ ভিতৰত আইনখনৰ চূড়ান্ত খচৰা সাজু হোৱাৰ সম্ভাৱনা আছে বুলি দাবী কৰাৰ এদিন পিছতে। ১৯৮৫ চনৰ অসম চুক্তিৰ বিধানৰ বিৰোধী ‘অসাংবিধানিক’ আইন জাপি দিয়াৰ কোনো চেষ্টা ৰাজ্যবাসীয়ে সহ্য নকৰে বুলি উল্লেখ কৰি দেওবাৰে পশ্চিম বংগত মতুৱা জনগোষ্ঠীক সম্বোধন কৰি মিশ্ৰই কয় যে এই প্ৰক্ৰিয়াটো মাৰ্চ মাহৰ ভিতৰত চূড়ান্ত খচৰা সাজু হোৱাৰ সম্ভাৱনা আছে। উত্তৰ প্ৰদেশৰ বিজেপি সাংসদগৰাকীয়ে দৃঢ়তাৰে কয় যে (ত্ৰয়োদশ পৃষ্ঠালৈ)



# ২৭,১৮৩ গৰাকী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা প্ৰদান

**দিছপুৰ ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণৰ বতৰাৰে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২৩ বৰ্ষৰ আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰাৰ লগতে পিএমশ্ৰী আঁচনিৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম চৰকাৰে শিক্ষাৰ্থীসকলৰ মাজত প্ৰতিযোগিতাৰ মনোভাৱ বৃদ্ধি কৰাৰ লগতে তথ্য প্ৰযুক্তি শিক্ষাৰ সহায়ত আধুনিক জ্ঞানেৰে তেওঁলোকৰ ধ্যান-ধাৰণা সমৃদ্ধ কৰিবলৈ 'আনন্দৰাম বৰুৱা বঁটা' আৰম্ভ কৰিছিল। পণ্ডিতপ্ৰবৰ আনন্দৰাম বৰুৱাৰ নামেৰে এই আঁচনিখন নামাকৰণ কৰা হৈছে যাতে এই গৰাকী মহান অসমীয়াৰ আদৰ্শৰে ৰাজ্যৰ উঠি অহা প্ৰজন্মই শৈক্ষিক ক্ষেত্ৰত সফলতাৰে আগুৱাই যাব পাৰে। তেওঁ কয় যে ২০05 চনত এই আঁচনি আৰম্ভ হোৱাৰ পৰা যোৱা বছৰলৈকে ৪,১৩,৪০০ গৰাকী শিক্ষাৰ্থীয়ে আঁচনিখনৰ জৰিয়তে লাভান্বিত হৈছে। বৰ্তমান ছেৱাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক এই আঁচনিৰ অধীনত ধনৰাশি প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই বছৰ এই বঁটাৰ অধীনত এখন মানপত্ৰৰ লগতে লেপটপ তথা কম্পিউটাৰ ক্ৰয় কৰিবলৈ বঁটা প্ৰাপক শিক্ষাৰ্থীসকলক 15 হাজাৰ টকাকৈ প্ৰদান কৰা হৈছে। ৰাজ্যৰ ২৭,১৮৩ গৰাকী মেধাৱী শিক্ষাৰ্থীৰ বেংক একাউন্টলৈ এই ধনৰাশি প্ৰেৰণ কৰা হৈছে। তেওঁ আনন্দৰাম বৰুৱা বঁটাপ্ৰাপক প্ৰতিগৰাকী শিক্ষাৰ্থীক অভিনন্দন জনোৱাৰ লগতে পণ্ডিতপ্ৰবৰ গৰাকীৰ দৰে জ্ঞানৰ আলোকেৰে উদ্ভাষিত হৈ উঠাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰি আনন্দৰাম বৰুৱাৰ জীৱন আৰু কৰ্মৰাজিৰ সম্পৰ্কে আলোকপাত কৰে।

ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰলৈ নৱদিগন্তৰ উন্মেষ ঘটাই আজি শুভাৰম্ভ কৰা পিএমশ্ৰী আঁচনিখনৰ বিষয়ে বক্তব্য আগবঢ়াই মুখ্যমন্ত্ৰী কয় যে শৈক্ষিক ক্ষেত্ৰখন অধিক উদ্দীপনাময় কৰি তোলাৰ লগতে প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে যাতে উপযুক্ত যত্ন আৰু শিক্ষণৰ ভিন্ন অভিজ্ঞতা লাভ কৰে তথা আন্তঃগাঁথনি আৰু শিক্ষণৰ বাবে অনুকূল উপযুক্ত সম্পদ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে উপলব্ধ হয়




সেই লক্ষ্যৰে ভাৰত চৰকাৰে পিএমশ্ৰী অৰ্থাৎ প্ৰধানমন্ত্ৰী স্কুলচ্ ফৰ ৰাইজিং ইণ্ডিয়া আঁচনিখন গ্ৰহণ কৰিছে। তেওঁ কয় যে এই আঁচনিখনৰ অধীনত ভাৰত চৰকাৰে ২০২৬-২৭ বৰ্ষলৈকে 27,360 কোটি টকা প্ৰকল্প ব্যয়েৰে সমগ্ৰ দেশৰ ১৪,৫০০ খনতকৈও অধিক বিদ্যালয় গঢ়ি তোলাৰ পদক্ষেপ লৈছে। অসমত আজি শুভাৰম্ভ হোৱা এই আঁচনিৰ প্ৰথম পৰ্যায়ত ২৬৪ খন বিদ্যালয় গ্ৰহণ কৰা হৈছে আৰু ২০২৩-২৪ বৰ্ষৰ বাবে ১২৭.৪৬ কোটি টকাৰ অনুমোদন জনোৱা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিৰ অধীনত নিৰ্বাচিত বিদ্যালয়সমূহে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ সকলো উপাদান প্ৰদৰ্শন কৰি একোখন আদৰ্শ বিদ্যালয় হিচাপে নিজকে গঢ়ি তোলাৰ লগতে কাষৰীয়া অন্যান্য বিদ্যালয়সমূহক মেন্টৰশ্বিপ প্ৰদান কৰিব। এই আঁচনিৰ অন্তৰ্গত বিদ্যালয়সমূহত পৰিৱেশ অনুকূল দিশসমূহ অন্তৰ্ভুক্ত কৰি সেউজ বিদ্যালয় হিচাপে বিকশিত কৰা হ'ব। তেওঁ কয় যে বিদ্যালয়সমূহত গ্ৰহণ কৰা শিক্ষা অধিক অভিজ্ঞতাভিত্তিক, সামগ্ৰিক, সংহত, (ত্ৰয়োদশ পৃষ্ঠালৈ)

## বিজেপিৰ লগতে সহযোগী দলৰ কৰ্মীক সাজু হ'বলৈ আহ্বান মুখ্যমন্ত্ৰীৰ

# লক্ষ্য লোকসভা নিৰ্বাচন ঃ মাজুলীত মিত্ৰজোঁটৰ বৈঠক

**বৰ্তমান সংবাদ ঃ** অলপতে মাজুলীত আহি উপস্থিত হোৱা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মাজুলীৰ গড়মূৰস্থিত জিলা বিজেপিৰ কাৰ্যালয়ত এখন দলীয় সভাত অংশ গ্ৰহণ কৰে। মাজুলী জিলা বিজেপিৰ সভাপতি বীৰেন শইকীয়াই আঁত ধৰা দলীয় সভাখন মুখ্যমন্ত্ৰী গৰাকীক বিজেপিৰ লগতে মিত্ৰ-জোতৰ নেতা কৰ্মী সকলে আদৰণি জনায়। বিজেপি, অসম গণ পৰিষদ আৰু সন্মিলিত গণ শক্তি দলৰ কাৰ্যকতাৰে সাংগঠনিক সভাত অংশ গ্ৰহণ কৰি কৰ্মী সকলৰ সন্মুখত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে কয় আজি এই ৰাস পবিত্ৰ ক্ষণত আগ্ৰহ প্ৰকাশ কৰিছিলোঁ যে মাজুলীত তিনিওটা দলৰ কাৰ্যকতা সকলৰ লগত মিলিত হৈ কিছু মাহৰ পিছতেই আমাৰ লোকসভা নিৰ্বাচন অনুষ্ঠিত হব, আৰু আমি সকলোৱে জানো আমাৰ সমষ্টি নিৰ্ধাৰণ বা পুনৰ গঠন হল তাত মাজুলীবাসীয়ে এইবাৰ যোৰহাটৰ লগত সংলগ্ন হোৱাত মাজুলীবাসীয়ে যোৰহাট লোক সভা সমষ্টিৰ লগত ভোট দান কৰিব লাগিব। লোক সভা নিৰ্বাচনৰ প্ৰাক ক্ষণত আমি নিশ্চয় আশা কৰিম আমি আমাৰ সংগঠন সমূহ শক্তিশালী কৰিব লাগে তিনিওটা দলৰ মাজত সম্পৰ্ক সুদৃঢ় কৰিব লাগে আৰু অহা তিনিমাহ সময়ৰ ভিতৰত ভাতৰ প্ৰধান মন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীক পুনৰ প্ৰধান মন্ত্ৰী হিচাপে অধিষ্ঠিত কৰিব পাৰো তাৰ বাবে অহোপুৰুষাৰ্থ কষ্ট কৰিব লাগিব দলীয় কৰ্মী সকলে। ইয়াৰ লগতে আৰু কয় যে আমি এটা কথা অনুভৱ কৰিব লাগে যে আমাৰ ৰাজ্য খনৰ উন্নয়ন বাবে যিমানখিনি ৰাইজে বিচাৰে তাৰ লগত খাপ খুৱাই চলিবলৈ সময় আৰু অৰ্থৰ প্ৰয়োজন হয় আৰু তাৰ সমান্তৰাল ভাৱে আমি বিভিন্ন ৰাজনৈতিক কথা বতৰাৱো সন্মুখীন হব লগা পৰিপ্ৰেক্ষিতত আমি যদি সদায় সচেতন হৈ নাথাকো তেতিয়া হলে কেতিয়াবা কেতিয়াবা আমাৰজন সমৰ্থন কমি হোৱা পৰিলক্ষিত হয়। যিবিলাক সমষ্টিত সঘনে বুথ সমিতি সভা অনুষ্ঠিত হৈ থাকে বিধায়কৰ সৈতে জিলা সমিতি, বুথ সমিতি, মণ্ডল সমিতিৰ সু সম্পৰ্ক থাকে তেতিয়া আমি নিৰ্বাচনৰ কাৰণে অধিক কষ্ট কৰিব লগা নেথাকে বুলি উল্লেখ কৰে। লগতে কৰ্মী সকলক কয় নিৰ্বাচন আহিলে যদি আমি সক্ৰিয় হওঁ তাৰ আগতে যদি আমি সক্ৰিয়তা গ্ৰহণ নাকৰোঁ তেনেহলে বিপদত পৰা সম্ভাৱনা থাকে বুলি উল্লেখ কৰে। কেইদিনমানৰ পূৰ্বে মই অসম বিধান সভাৰ উপাধ্যক্ষ নোমল মমিনক মাজুলীৰ বুথ সমিতিৰ সভাপতি সকলৰ লগত সম্পৰ্ক স্থাপন কৰিব কৈছিলোঁ আৰু তেখেতে সকলোৱে লগত সম্পৰ্ক স্থাপন কৰিছিল। এতিয়াৰ পৰা এপ্ৰিলৰ ১৫ তাৰিখৰ ভিতৰত এই সময়ছোৱাই হব বহু কেইটা কাৰ্যক্ৰমনিকা। আমি ৰাজনৈতিক ভাবে সক্ৰিয় হৈ থাকিব লাগিব বুলি দলীয় কৰ্মী সকলক আহ্বান জনায়। মুখ্যমন্ত্ৰী গৰাকীয়ে মিত্ৰজোতৰ কৰ্মী সকলকো অতি তৎপৰতাৰে দলীয় কাম সমূহ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠিত সভাত গণ শক্তিৰ সভাপতি মাজুলী জিলাৰ ৰঞ্জিত দলে, অগপ সভাপতি ফণীধৰ তাহু, সাংসদ প্ৰদান বৰুৱা, তপন গগৈ বিধায়ক ভুৱন গাম, মানৱ ডেকা, নৱ দলে দীপক গোস্বামী আদি উপস্থিত থাকে।

## বিজেপি চৰকাৰৰ নতুন কৰ তালিকা

# তিনিচুকীয়াত কংগ্ৰেছৰ প্ৰতিবাদ



**বৰ্তমান সংবাদ ঃ** বিজেপি চৰকাৰৰ নতুন কৰ নীতিৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিবাদৰ জোৱাৰ উঠাৰ সময়তে ইয়াক প্ৰত্যাহাৰৰ দাবীত তিনিচুকীয়া জিলা কংগ্ৰেছে আজি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য, উন্নয়নৰ নামত হিতাধিকাৰী সৃষ্টিত অগ্ৰাধিকাৰ দিয়া ৰাজ্যৰ বিজেপি মিত্ৰজোটৰ চৰকাৰখনে শেহতীয়াকৈ ৰাজ্যবাসীৰ ওপৰত বিহু, সাংস্কৃতিক সভা-সমিতি, প্ৰদৰ্শনী, অন্যান্য সজাগতা তথা সামাজিক-ৰাজনৈতিক অনুষ্ঠান আয়োজন কৰাৰ বিপৰীতে কৰ আৰোপ কৰাক কেন্দ্ৰ কৰি ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে। আজি এই নতুন কৰ নিৰ্ধাৰণৰ অধিসূচনা প্ৰত্যাহাৰৰ তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটীয়ে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। জিলা কংগ্ৰেছৰ সভাপতি প্ৰণৱ বৰুৱাৰ নেতৃত্বত এই প্ৰতিবাদী কাৰ্যসূচীত প্ৰদেশ কংগ্ৰেছ, জিলা কংগ্ৰেছ, ব্লক আৰু মণ্ডল পৰ্যায়ৰ একাধিক বিষয়ববীয়া আৰু কৰ্মীয়ে অংশগ্ৰহণ কৰি 'তেজপীয়া বিজেপি চৰকাৰ নিপাত দাবীত যাওক, হিতাধিকাৰীক সন্তুষ্ট কৰিবলৈ গৈ সাধাৰণ ৰাইজৰ ওপৰত কৰ আৰোপ কৰা বন্ধ কৰক, ৰাজকোষৰ ধনৰ শ্ৰাদ্ধ পতা বন্ধ কৰক' আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। জিলা সভাপতি প্ৰণৱ বৰুৱাই বিজেপি চৰকাৰখনৰ হঠকাৰী জনবিৰোধী সিদ্ধান্তসমূহে ৰাজ্যবাসীক বিতুষ্ট কৰা বুলি উল্লেখ কৰি আগন্তুক সংসদীয় নিৰ্বাচনত বিজেপি দলক এসেকা দিবলৈ অসমবাসীক আহ্বান জনায়।

# অচিৰেই ঠিকনা সলনি হ'ব গুৱাহাটী ফাঁচী বজাৰৰ

**বৰ্তমান সংবাদ ঃ** অচিৰেই ইতিহাস হ'ব অসমৰ বাণিজ্যিক ইতিহাসৰ প্ৰাণকেন্দ্ৰ ফাঁচীবজাৰ। দিনক দিনে জনসংখ্যা বাঢ়ি অহা গুৱাহাটী মহানগৰীৰ ভয়ংকৰ যানজঁটৰ পৰা পৰিত্ৰাণৰ বিকল্প ৰূপে ফাঁচীবজাৰখন স্থানান্তৰ কৰা হ'ব চাংসাৰিলৈ। গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষই আগবঢ়োৱা এই প্ৰস্তাৱ কাৰ্যকৰীকৰণৰ দিশে আগবাঢ়িছে দিছপুৰ। স্বাভাৱিকতে এই বাতৰি প্ৰকাশৰ লগে লগেই হাহাকাৰ লাগিছে ফাঁচীবজাৰৰ ব্যৱসায়ীসকলৰ মাজত। আনকি ফাঁচীবজাৰ স্থানান্তৰকৰণৰ কথা নিশ্চিত কৰে অসম চৰকাৰৰ মহানগৰ উন্নয়ন পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে। সোমবাৰে এই বিষয়ত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী অশোক সিংহলে স্পষ্ট কৰি কয় যে, সোনকালেই ফাঁচীবজাৰ উত্তৰ গুৱাহাটীলৈ স্থানান্তৰ কৰা হ'ব। ক্ৰমবৰ্ধমান জনসংখ্যা আৰু যানজঁটৰ ফলশ্ৰুতিত চৰকাৰলৈ গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষই এই স্থানান্তৰকৰণৰ প্ৰস্তাৱ প্ৰেৰণ কৰা কথাটো স্বীকাৰ কৰি এইদৰে ঘোষণা কৰে মহানগৰ উন্নয়ন পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে। মন্ত্ৰী অশোক সিংহলে কয় যে, গুৱাহাটীক লৈ আমাৰ ওচৰত ভালেমান প্ৰস্তাৱ আছে। তাৰ ভিতৰত গুৱাহাটীৰ হোলচেল মাৰ্কেটখন চাংসাৰি নাইবা নৰ্থ গুৱাহাটীলৈ যোৱাৰ প্ৰস্তাৱ আছে। ইয়াৰ ওপৰত আমি সক্ৰিয়তাৰে কাম কৰি আছোঁ। মই ভাবো অহা দিনবোৰত আমি এয়া কৰিব লাগিব। নহ'লে গুৱাহাটীত যান-বাহনৰ যিটো যানজঁট তাৰ পৰা আমি মুক্তি পাব নোৱাৰিম। দিছপুৰৰ এক তথ্য




অনুসৰি, গুৱাহাটীৰ ভৰলু আৰু উত্তৰ গুৱাহাটী সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰৰ নিৰ্মাণ হৈ থকা দলংখন মুকলি হোৱালৈ অপেক্ষা কৰি আছে চৰকাৰে। তাৰ পিছতেই গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণ কৰ্তৃপক্ষই দাখিল কৰা প্ৰস্তাৱ অনুসৰি স্থানান্তৰ কৰা হ'ব ফাঁচীবজাৰ।

# চকচকা চৰকাৰী মজলীয়া বিদ্যালয়ৰ ১২৫ বছৰীয়া জয়ন্তীৰ সফল সামৰণি

**সৰভোগ ঃ** অসমৰ এখন অতি পুৰণি আগশাৰীৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান চকচকা চৰকাৰী মজলীয়া বিদ্যালয়। সৰভোগৰ বৰনগৰ অঞ্চলত থকা এই বিদ্যালয়খনে সম্পূৰ্ণ ১২৫ বসন্ত গৰকিলে। ১৯৮৯ চনৰ ১ জুলাইত স্থাপন কৰা বিদ্যালয় খনৰ অন্তিম দিনা উদ্‌যাপন সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰে সভাপতিত্ব কৰা মুকলি সভাত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য তথা দৈনিক অসম কাকতৰ সম্পাদক ড০ হিতেশ ডেকাই কয় যে আমাৰ ৰাজ্যত ৯৯ শতাংশ শিক্ষানুষ্ঠান গঢ়ি তুলিছে ৰাইজে, মাত্ৰ এক শতাংশহে হয়টো চৰকাৰে স্থাপন কৰিছে। তেওঁ আৰু কয় যে অসমীয়া মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী নাজানে বুলি ভুল ধাৰণা মানুহৰ মাজত সুমুৱাই দিয়া হৈছে, যিটো সঁচা নহয়। এতিয়া চৰকাৰে বহু শিক্ষানুষ্ঠান বন্ধ কৰিছে গতিকে অদূৰ ভৱিষ্যতে চৰকাৰে আৰু হয়টো বন্ধ কৰিব বুলি তেওঁ কয়। অনুষ্ঠানত ভাষণ দি আন এগৰাকী বিশিষ্ট অতিথি তথা জনীয়া সমষ্টিৰ বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামে কয় যে সৰভোগ আৰু কলগছিয়া অঞ্চলত শিক্ষাৰ হাৰ ৬০ শতাংশৰ কম, এতিয়াও ৰাজ্যত এজনীয়া শিক্ষকেৰে কেবাখনো বিদ্যালয় চলি আছে। তেওঁ আক্ষেপ কৰি কয় যে দিনে দিনে চৰকাৰী স্কুলত ছাত্ৰ ছাত্ৰীৰ সংখ্যা কমি আহিছে, ইয়াৰ কাৰণ চৰকাৰী স্কুলত শিক্ষক নাই, আন্তঃগাঁথনি দুৰ্বল, শিক্ষকে ছাত্ৰ ছাত্ৰীক মধ্যাহ্ন ভোজন দিয়াৰ পিছত দৌৰি থাকে, গতিকে কত পঢ়ুৱাব। উদযাপন সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰে কয় যে ৬০-৭০ দশকৰ ভিতৰত কেবাখনো আয়োগ গঠন হয় আৰু এই আয়োগৰ তথ্যতেই প্ৰকাশ পাইছে যে দেশৰ ১৪০ কোটি মানুহৰ ভিতৰত ৪০ কোটি লোক আজিও নিৰক্ষৰ। সভাত খাদ্য আৰু যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আহে যদিও বিশেষ কাম থকাৰ বাবে ভাষণ প্ৰদান নকৰি সভাস্থলীৰ পৰা গুছি যায়। চক্ৰ বিষয়া ডাঃ মিথিংগা দৈমাৰী ও ভাষণ প্ৰদান কৰে। ইয়াৰ পূৰ্বে ২৩ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা তিনিদিনীয়া কাৰ্যসূচীৰ প্ৰথম দিনত পুৱা ৯ বজাত বিদ্যালয়ৰ পতাকা উত্তোলন কৰে প্ৰধান শিক্ষক খাইৰুল আলম আৰু সমান্তৰালভাৱে ১২৫ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ১২৫খন পতাকা উত্তোলন কৰে সভাপতি তথা বিধায়ক মনোৰঞ্জন তালুকদাৰে। স্মৃতি তৰ্পণ কৰে উপ সভাপতি তথজ্ঞ অধিবক্তা মহিবুল হুছেইনে। প্ৰাক্তন ছাত্ৰ ছাত্ৰীৰ নাম পঞ্জীয়ন কৰাৰ পিছত গছপুলি ৰোপণ কৰে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, ৰূপসী শিক্ষাখন্দৰ প্ৰদীপ কুমাৰ দাস আৰু বিদ্যালয় খনৰ প্ৰাক্তন প্ৰধান শিক্ষক পূৰ্ণা নন্দ বড়োৱে। গ্ৰন্থ মেলাৰ দ্বাৰ আৰু চিত্ৰ প্ৰদৰ্শনী মুকলি কৰে কাৰ্যকৰি সভাপতি কৰুণা কান্ত দাসে। ৰাজ্যিক চলচিত্ৰ বঁটা বিজয়ী তথা স্থানীয় অভিনেত্ৰী দৰথী ভৰদ্বাজে সাংস্কৃতিক শোভযাত্ৰা উদ্বোধন কৰে। দিনৰ দুই বজাত প্ৰাক্তন ছাত্ৰী মৰহুমা মেহবুবা বেগমৰ স্মৃতিত সদৌ অসম ভিত্তিত মুকলি কুইজ প্ৰতিযোগিতাৰ পৰিচলনা কৰে দৈনিক অসম কাকতৰ উপ সম্পাদক দীপাংকৰ কৌশিকে। উল্লেখযোগ্য যে বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ দ্বাৰা পৰিবেশন কৰা নাট "পৰুৱাৰ বিলৈ" আছিল অনুষ্ঠানৰ অন্যতম আকৰ্ষণ। ২৪ নবেম্বৰত সতীৰ্থ সন্মিলন উদ্বোধন কৰে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা প্ৰাক্তন সাংসদ আৰু এসময়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত চতুৰ্থ স্থান দখল কৰা উদ্ধৱ বৰ্মনে। স্মৃতি গ্ৰন্থ উন্মোচন কৰে শিক্ষাবত্ন, বিশিষ্ট নিবন্ধকাৰ অক্ষয় মিশ্ৰই। বিজ্ঞান প্ৰদৰ্শনী দ্বাৰ উন্মোচন কৰে কাৰ্যকৰী সভাপতি, কৰুণা কান্ত দাস, চিত্ৰ প্ৰদৰ্শনী মুকলি কৰে প্ৰধান শিক্ষক তথা উদযাপন সমিতিৰ সম্পাদক খাইৰুল আলম, আৰু গ্ৰন্থ মেলা উদ্বোধন কৰে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া প্ৰদীপ কুমাৰ দাসে। বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী আৰু স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে জিলা প্ৰাথমিক শিক্ষা বিষয়া ৰাতুল কুমাৰ দাসে। স্মৃতি গ্ৰন্থৰ সম্পাদক আছিল ভৱানন্দ দাস পাঠক আৰু জিতু ৰশিদ। দিনৰ ১১-৩০ বজাত কবি সন্মিলন সঞ্চালনা কৰে বিশিষ্ট কবি সমীৰণ মজুমদাৰে আৰু অনুষ্ঠানটিৰ পৰ্য্যালোচক হিচাবে থাকে বিশিষ্ট কবি ডাঃ হৰেন চৌধুৰী। আবেলি আলোচনা চক্ৰৰ বিষয় আছিল: ৰাষ্ট্ৰীয় শিক্ষা নীতি -২০২০, সুযোগ আৰু প্ৰত্যাহ্বান। ইয়াত মুখ্য আলোচক হিচাপে উপস্থিত থাকে গুৱাহাটী বাণিজ্য মহাবিদ্যালয় আৰু কে চি দাস বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ড০ ঘনশ্যাম নাথ, চকচকা চৰকাৰী মজলীয়া বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমানে গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড০ উৎপল শৰ্মা, প্ৰাক্তন ছাত্ৰ তথা গুৱাহাটী আৰ জি বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ প্ৰাণজিৎ কুমাৰ নাথেও ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ওপৰত সাৱলীল ভাষণ প্ৰদান কৰে। কাৰ্যসূচীৰ অন্তিম দিনা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে উদযাপন সমিতিৰ সভাপতি তথা বিধায়ক মনোৰঞ্জন তালুকদাৰে এ দোলা এ দোলা, বৰ বৰ মানুহৰ দলা গান টোত কণ্ঠদান কৰি। ভাৰত নাট্যম বিশাৰদ ফাতিমা তানবীৰৰ নৃত্য প্ৰদৰ্শন আৰু থীম চঙৰ মূল গায়ক নিতুমনি ৰাজবংশী আৰু শিবেন ৰয়ে কণ্ঠ দান কৰা অন্য এক আকৰ্ষণ। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় প্ৰধান শিক্ষক খাইৰুল আলমে। নিশা কণ্ঠশিল্পী প্ৰিয়ঙ্কা ভৰালীৰ কণ্ঠত কেবাটিও গানে উপস্থিত প্ৰায় আঠ হেজাৰ দৰ্শকক আমোদ দিয়ে।

# জুৰীয়াত চাৰিখন ৰাস উদযাপন সমিতিলৈ ৰাজ্য চৰকাৰৰ পচিশ হাজাৰ টকাৰ অৰিহনা



**বৰ্তমান সংবাদ ঃ** আধ্যাত্মিক আৰু ভক্তিৰসৰ উৎসৱ শ্ৰী শ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ উপলক্ষে ৰাস মহোৎসৱ সমিতি সমূহলৈ অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আৰ্থিক অৰিহণা প্ৰদানৰ ব্যৱস্থা কৰিছিল। সেই মৰ্মে আজি ৰূপহীহাটৰ জুৰীয়াৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ মন্দিৰত জুৰীয়াৰ চাৰিখন ৰাস উদযাপন সমিতিৰ সভাপতি, সম্পাদকৰ হাতত পচিশ (২৫) হাজাৰ টকা অৰিহনাৰ চেক প্ৰদান কৰা হয়। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ৩ বছৰৰ পুৰণি ৰাস উদযাপন সমিতিলৈ আৰ্থিক অৰিহণা বিতৰণ কৰাৰ কথা ঘোষণা কৰিছিল আৰু সেয়ে আজি বিজেপিৰ কলিয়াবৰ জিলা সমিতিৰ সভাপতি বাবুল বৰা, বিজেপি দলত নতুনকৈ যোগদান কৰা সুৰেশ বৰা আৰু বিজেপিৰ বহু কেইজন জিলা পৰ্যায়ৰ দলীয় কৰ্মকৰ্তাৰ এটি সজাতি দল জুৰীয়ালৈ আহি জুৰীয়াৰ শ্ৰীশ্ৰী শংকৰদেৱৰ মন্দিৰৰ কাৰ্যালয়ত শ্ৰীশ্ৰী শংকৰদেৱ মন্দিৰ ৰাস উদযাপন সমিতি, তেলীয়া বেবেজীয়া ৰাস উদযাপন সমিতি, থিয়টাঙনী উজনিফাল ৰাস উদযাপন সমিতি আৰু গড়াজান সৰ্বজনীন ৰাস মহোৎসৱৰ উদযাপন সমিতিৰ সভাপতি (ত্ৰয়োদশ পৃষ্ঠালৈ)

## সম্পাদকীয়

অসমীয়া বৰ্তমান, ১ ডিচেম্বৰ, ২০২৩

# বিদ্যালয়ৰ মানদণ্ড

আধুনিক আৰু তথ্য প্ৰযুক্তিৰে সমৃদ্ধ গুণগত শিক্ষা প্ৰদানৰ ক্ষেত্ৰত যেন আমাৰ শিক্ষা ব্যৱস্থা আজিও পিছপৰি আছে। তথ্যৰ পৰা আহৰণ কৰা জ্ঞান প্ৰদান কৰি শিক্ষাৰ্থীসকলক ভাল শিক্ষা যে দিব পাৰি সেই ধাৰণাৰ পৰা আমাৰ বিদ্যালয়-বিশ্বিদ্যালয়সমূহ বহু দূৰত। তথ্য-চালিত পদ্ধতিক শিক্ষাবিদ্যাত যথেষ্ট অৱজ্ঞাৰে চোৱা হয়। তথাপিও বেছিভাগ ক্ষেত্ৰতে শিক্ষা কেন্দ্ৰৰ মুৰব্বীৰ দীৰ্ঘদিনীয়া অন্তৰ্দৃষ্টিৰ ওপৰত নিৰ্ভৰ কৰাটো নিৰাপদ বুলি গণ্য কৰা হয়। মন কৰিবলগীয়া যে ভাৰতত চৰকাৰী পৰ্যায়ত ডিজিটেল সজাগতা আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ জৰিয়তে দেশব্যাপী তথ্য প্ৰশাসন সংস্কৃতি লাহে লাহে কিন্তু নিশ্চিতভাৱে গঢ় লৈ উঠিছে। চৰকাৰী পৰ্যায়ত ইউডিআইএছই প্লাছৰ জৰিয়তে সমগ্ৰ দেশৰ সকলো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ তথ্য সংগ্ৰহ কৰা বুলি জনা যায়। আশাকৰোঁ এই তথ্যসমূহ যদি সঠিকভাৱে ব্যৱহাৰ কৰা হয় তেন্তে বিদ্যালয় একত্ৰীকৰণৰ পৰা আৰম্ভ কৰি শিক্ষক নিযুক্তিৰ পৰা আৰম্ভ কৰি ছাত্ৰ-ছাত্ৰীক ধৰি ৰখালৈকে সকলো সম্ভৱ হ'ব। তথ্য সংৰক্ষণ হৈছে তথ্যকেন্দ্ৰিক, জ্ঞানমুখী শিক্ষা ব্যৱস্থাৰ দিশত প্ৰথম পদক্ষেপ। মূল তথ্যক অৰ্থপূৰ্ণ তথ্য হিচাপে মূল্যায়ন কৰি আৰু অপ্ৰত্যাশিত জ্ঞান উন্মোচন কৰি আজিৰ বিবেচনাশীল শিক্ষাবিদে নিজৰ স্বজ্ঞাত বুদ্ধিমত্তাক নতুন শিক্ষণ আৰ্হিত প্ৰয়োগ কৰিব পাৰে। আৰু সেই নেতাৰ সফলতা নিৰ্ভৰ কৰে তেওঁৰ দলৰ তথ্য সাক্ষৰতাৰ স্তৰৰ ওপৰত। মনত ৰাখিব, আজি (আৰু ভৱিষ্যতেও অধিক) তথ্য এতিয়া কেৱল সংখ্যা নহয়, তথ্যৰ ভিতৰত ছবি, অডিঅ', ভিডিঅ', টেক্সট, অনুভৱ ইত্যাদি অন্তৰ্ভুক্ত। তথ্য সমৃদ্ধ শিক্ষানুষ্ঠানৰ কৰ্মচাৰীসকলক 'ভাল' তথ্য চিনাক্ত কৰি 'বেয়া' তথ্যৰ পৰা পৃথক কৰিবলৈ প্ৰশিক্ষণ দিব লাগিব, যাতে ভৱিষ্যতৰ বিশ্লেষণৰ বাবে তথ্যৰ অখণ্ডতা বজাই ৰখা হয়। প্ৰথমটো পদক্ষেপত অন্ধ্ৰ প্ৰদেশ চৰকাৰে ৰাজ্যখনৰ চৰকাৰী বিদ্যালয়সমূহৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত নজৰ ৰাখিবলৈ কৃত্ৰিম বুদ্ধিমত্তা গ্ৰহণ কৰিছে। ৰাজ্যৰ চৰকাৰী বিদ্যালয় শিক্ষা বিভাগে টাটা কনছালটেন্সি চাৰ্ভিচেছ লিমিটেড (টিচিএছ)ৰ সৈতে এক প্ৰকল্পৰ জৰিয়তে সমগ্ৰ ৰাজ্যৰ প্ৰায় ৪৫ হাজাৰ চৰকাৰী বিদ্যালয়ত এক অভিনৱ ট্ৰেকিং ব্যৱস্থা ৰূপায়ণ কৰিছে। এই প্ৰকল্পৰ অধীনত প্ৰতিখন চৰকাৰী বিদ্যালয়ে প্ৰতিদিনে প্ৰতিটো শৌচাগাৰৰ কামোড-পেন, প্ৰস্ৰাৱাগাৰ, ৱাছ বেচিন আৰু মজিয়াৰ ফটো তুলি মোবাইল এপৰ জৰিয়তে কেন্দ্ৰীয় ডাটাবেছলৈ প্ৰেৰণ কৰিব লাগিব। টিচিএছৰ এআই ইঞ্জিনেৰে প্ৰক্ৰিয়াকৰণ কৰাৰ পিছত নিজ নিজ শৌচাগাৰসমূহৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত ভিত্তি কৰি গ্ৰেড দিয়া হয়। যদি সেই গ্ৰেড গ্ৰহণযোগ্য নহয়, তেন্তে বিদ্যালয়ে সতৰ্কবাণী লাভ কৰে, য'ত বিদ্যালয়খন পৰিষ্কাৰ কৰি ফটোখন পুনৰ পঠিয়াবলৈ নিৰ্দেশনা দিয়া হয়। সমান্তৰালভাৱে প্ৰতিখন বিদ্যালয়ৰ শৌচাগাৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰকৃত ছবিখন প্ৰতিদিনে ৰাজহুৱা পৰ্যালোচনাৰ বাবে চৰকাৰী ডেচবৰ্ড পৰ্টেলত প্ৰতিফলিত হয়। এই পদক্ষেপে কিশোৰী ছোৱালীৰ মাজত বিদ্যালয়ত নামভৰ্তি বৃদ্ধি কৰাৰ লগতে বিদ্যালয় এৰাৰ হাৰ হ্ৰাস কৰিছে। ৰাষ্ট্ৰীয় ডিজিটেল যোগাযোগ নীতি ২০১৮ৰ প্ৰথম আৰু প্ৰধান কৌশলগত লক্ষ্য আছিল ২০২২ চনৰ ভিতৰত 'সকলোৰে বাবে ব্ৰডবেণ্ড প্ৰদান'। 'কানেক্ট ইণ্ডিয়া' অভিযানৰ অধীনত ২০২২ চনৰ বাবে নিৰ্ধাৰণ কৰা সাতটা লক্ষ্যৰ ভিতৰত প্ৰথম তিনিটা হ'ল- প্ৰতিজন নাগৰিকৰ বাবে (ত্ৰয়োদশ পৃষ্ঠালৈ)

# শিশুৰ চৰিত্ৰ গঠনত মাতৃৰ ভূমিকা

■ হিমা কলিতা

শিশুৰ চৰিত্ৰ গঠনত অভিভাৱকসকলৰ গধুৰ দায়িত্ব বা কৰ্তব্য আছে। যিজন ব্যক্তিয়ে ঘৰখনৰ দায়িত্ব মূৰ পাতি লৈ সুচাৰুৰূপে আগবঢ়াই নিয়ে সেইজন ব্যক্তিক আমি অভিভাৱক বুলি কওঁ আৰু সেইজন হৈছে প্ৰধানকৈ পিতৃ - মাতৃ। ইয়াৰ ভিতৰত মাতৃ গৰাকী হ'ল শিশুৰ প্ৰধান শিক্ষক আৰু ঘৰখন হৈছে শিশুৰ শিক্ষাৰ কঠীয়াতলি।

আমি প্ৰত্যেক পিতৃ - মাতৃয়ে বিচাৰোঁ যে আমাৰ সন্তান ভাল হওক। তেওঁহঁলোকে সুস্বাস্থ্যৰ লগতে সকলো দিশতে আগবাঢ়ি যাওক । মানসিক, শাৰীৰিক সকলো দিশতে শিশুক সুস্থ ক ৰি তোলাত সহজ কথা নহয়। ইয়াৰ বাবে বহু সাধনাৰ প্ৰয়োজন। এটি আদৰ্শৱান শিশু গঢ়ি তুলিবলৈ মাতৃৰ বহু বেছি দায়িত্ব। চৰিত্ৰ গঠনত যাতে আউল নালাগে মাকজনীৰ মনৰ চঞ্চলতা, দৃঢ়তা আৰু গাম্ভীৰ্যতাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। কিন্তু বিচাৰিলেই জানো সম্ভৱ? অৱশ্যে কেইটিমান কথাত যদি আমি সতৰ্ক হওঁ তেতিয়া অসম্ভৱও নহয় বুলি ভাবো।

আমাৰ সন্তান আমাৰ ভৱিষ্যত। একো একোটি উজ্জল নক্ষত্ৰ। যদি প্ৰত্যেক পিতৃ - মাতৃয়ে সন্তানৰ লগত বন্ধুত্ব গঢ়ি তোলে, খং অভিমান নকৰি বুজাই-বঢ়াই কয় তেতিয়াহ'লে পিতৃ - মাতৃৰ সেইয়া ডাঙৰ প্ৰাপ্তি। কিছুমান বিশেষ কথাত শিশু সকলক গুৰুত্ব দিয়াটো প্ৰয়োজন।

শিশু এটি ডাঙৰ হোৱাৰ পৰা কিছুমান ভাল অভ্যাস গঠনত গুৰুত্ব দিব লাগে। সৰুৰ পৰা যিখিনি শিকোৱা হয় বা অভিভাৱকৰ পৰা দেখে সেইখিনি বহু সোনকালে শিকে। গতিকে ঘৰখনেই হৈছে শিশুৰ চৰিত্ৰ গঠনত একমাত্ৰ বিদ্যালয়। ঘৰখনৰ উচ্ছৃঙ্খল পৰিৱেশে শিশুৰ বহুত ক্ষতি কৰে। আমাৰ মহান মনীষীসকলে কৈ গৈছে যে আপোনাৰ ঘৰত যদি আপুনি তিনি সময়ৰ ৰান্ধিব সমৰ্থ হয়, ঘৰলৈ অহা অতিথিক আপুনি ভদ্ৰ ব্যৱহাৰেৰে আপ্যায়ন কৰিবলৈ সমৰ্থ হয়, দুখী জনক সময়ত সাহস আৰু সহায়ৰ হাত আগবঢ়াবৰ বাবে সমৰ্থ হয় আৰু সন্তানক যদি সুশিক্ষা, সুসংস্কাৰ দিবলৈ সমৰ্থ তেতিয়াহ'লে ভগৱানক ধন্যবাদ জনাওক যে আপুনি সফল পিতৃ - মাতৃৰ ভিতৰত এজন।

শিশুটিক উপযুক্ত শিক্ষা দিব পাৰিলে সেইজনী নাৰীয়েও পূৰ্ণতা পায়। এটা ভাল সন্তান গঢ়া মানে এটা জাতিৰ উপকাৰ। সেইটো চিৰ সত্য। সন্তান পিতৃ - মাতৃৰ প্ৰতিধ্বনি, দপিকা পোহৰ বিলোৱা এগছি হৃদয় জুৰোৱা অমৰ বন্তি।

বৰ্তমান যুগটো হৈছে বিশ্বায়নৰ যুগ, ইণ্টাৰনেট আৰু ফেচবুকৰ যুগ। শিক্ষা যিমানেই নাথাকক কিয়, সকলোৰে কেৱল ফেচবুক, ইনষ্টাগ্ৰাম, টিভি, বিলাসী গাড়ী, নেটৱৰ্ক, অনলাইনে বহুতো লৰা - ছোৱালীৰ মনত বিশৃংখলতাৰ সৃষ্টি কৰিছে। আজিৰ লৰা - ছোৱালীয়ে মহৎলোকৰ জীৱনী বা ভাল কিতাপ এখন পঢ়িবলৈ ইচ্ছা নকৰে। মাতৃ সকলে লৰা - ছোৱালীৰ শাৰীৰিক দিশ, মানসিক দিশেই নহয় আধ্যাত্মিক দিশৰ ওপৰতো' গুৰুত্ব ৰখাটো বহুত প্ৰয়োজন ।

মোৰ অনুভৱ সন্তানটি মাতৃ গৰ্ভত ধাৰণ কৰাৰ পৰা ভূমিষ্ঠ হোৱালৈ মাকৰ লগত ওতপ্ৰোতভাৱে জড়িত আৰু মাকৰ ব্যৱহাৰেই শিশুৰ ব্যৱহাৰ। গতিকে মাকজনীয়ে আটাইতকৈ ভাল শিক্ষয়িত্ৰী আৰু ঘৰখনেই হৈছে ভাল বিদ্যালয়। গতিকে মাকেই শিশুৰ চৰিত্ৰ গঠনত বিশেষ ভূমিকা গ্ৰহণ কৰা উচিত।

# এন চি ই আৰ টি ৰ কাণ্ড

■ লুইত কোঁৱৰ

এনচিইআৰটিৰ এখন সাতজনীয়া উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে শেহতীয়াকৈ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ অংশ হিচাপে ৭ম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে শিশুক ৰামায়ণ আৰু মহাভাৰতৰ দৰে মহাকাব্য শিকোৱাৰ পৰামৰ্শ আগবাইছে। এনচিইআৰটিৰ এখন সাতজনীয়া উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে শেহতীয়াকৈ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ অংশ হিচাপে ৭ম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে শিশুক ৰামায়ণ আৰু মহাভাৰতৰ দৰে মহাকাব্য শিকোৱাৰ পৰামৰ্শ আগবঢ়াইছে। কিন্তু এই সন্দৰ্ভত পৰামৰ্শ পূৰ্বেও দিয়া হৈছে। কিছুমান শিক্ষা ব'ৰ্ডে ছাত্ৰ-ছাত্ৰীক ৰামায়ণ শিকোৱা বুলিও কমিটিয়ে স্বীকাৰ কৰিছে যদিও তাত ইয়াক মিথ হিচাপে শিকোৱা হয়। যদি সমিতিৰ পৰামৰ্শ মানি লোৱা হয়, তেন্তে বিদ্যালয়ত ইতিহাসৰ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক ৰামায়ণ আৰু মহাভাৰত শিকোৱা হ'ব পাৰে। কিন্তু ইতিহাস আৰু মিথৰ মাজৰ সীমা এনেদৰে ম্লান কৰাটো ভাল কথা নহ'ব। ভৱিষ্যতে বহু ধৰণৰ অসুবিধা দেখা যাব। ভাৰতীয় সমাজত মিথৰ অতি বিশেষ স্থান আছে। পৌৰাণিক কাহিনী আমাৰ দৈনন্দিন জীৱন, জীৱনশৈলী আৰু বাক্যৰ এক অবিচ্ছেদ্য অংগ হৈ আহিছে। ইতিহাস এটা শুকান বিষয় এই ক্ষেত্ৰত যে ঘটনা, যুদ্ধ আৰু তাৰিখৰ অন্তহীন সবিশেষে ইয়াক প্ৰায়ে মূৰৰ বিষৰ দৰে কৰি তোলে। কেৱল ছাত্ৰ-ছাত্ৰীৰ বাবে ই এক কঠিন বিষয় নহয়, ভাৰতবৰ্ষতো সমাজ হিচাপে ইতিহাসৰ এই ৰূপটোৱে বিশেষ গুৰুত্ব নাপায়। ঘটনাবোৰৰ সবিশেষলৈ যোৱাৰ পৰিৱৰ্তে সেই ঘটনাবোৰৰ পৰা উদ্ভৱ হোৱা পাঠ আৰু মূল্যবোধক গল্পৰ ৰূপত স্থায়ী ৰূপ দিয়াটো ইয়াত অধিক গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছিল। হয়তো ইয়াৰ ফল হ'ল যে এখন সমাজ হিচাপে পৰিঘটনাবোৰৰ সবিশেষ আৰু তাৰ ফলত সৃষ্টি হোৱা শক্তি সমীকৰণৰ তাৎক্ষণিক পৰিৱৰ্তনৰ ওপৰত চকু ৰখাৰ পৰিৱৰ্তে আমি জীৱনটোক আগুৱাই নিয়া উচ্চ আৰু চিৰন্তন মূল্যবোধবোৰ সংৰক্ষণ কৰাত অধিক গুৰুত্ব দিওঁ মনোযোগ দিব পাৰে। এই কাৰণেই আজিও সেই মিথবোৰে আমাৰ জীৱন, আচৰণ আৰু মূল্যবোধ গঢ় দিয়াত ইমান গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, যিদৰে পৃথিৱীৰ আন কোনো সমাজত নহয়। এই সকলোবোৰৰ মাজতো তেওঁলোকক ইতিহাসৰ অংশ হিচাপে গঢ়ি তোলাৰ পৰা বিৰত থকাটো গুৰুত্বপূৰ্ণ। আনুষ্ঠানিকভাৱে ইতিহাস লিখা আৰু অধ্যয়ন কৰাৰ প্ৰৱণতা পশ্চিমীয়া দেশৰ উপহাৰ। তেওঁ কয় যে আগবাঢ়ি যাবলৈ অতীতৰ ভুলৰ পৰা শিক্ষা লোৱাটো গুৰুত্বপূৰ্ণ। কিন্তু কাৰ্যক্ষেত্ৰত অতীতৰ ওপৰত অত্যধিক গুৰুত্ব দিলে আমাৰ বুজাবুজি পৰিপক্ক কৰাৰ পৰিৱৰ্তে পুৰণি স্ক'ৰ নিষ্পত্তি কৰাৰ ভাৱনাৰে সজ্জিত কৰি অধিক হিংসাৰ সৃষ্টি হয়। ইয়াৰ অৰ্থ এইটো নহয় যে ইতিহাসক বিষয় হিচাপে পঢ়া বা বুজাটো ভুল। কিন্তু ইয়াক অধ্যয়ন কৰি থাকোঁতে বস্তুনিষ্ঠতা, এক প্ৰকাৰৰ নিৰপেক্ষ দূৰত্ব বজাই ৰখাটো প্ৰয়োজনীয়, যাতে অতীতৰ ছাঁই বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰতি আমাৰ দৃষ্টিভংগীক ম্লান কৰিবলৈ আৰম্ভ নকৰে। আৰু হয়, আমি মিথটোক সংকুচিত কৰি ইতিহাসলৈ ৰূপান্তৰিত কৰাৰ ভুল কৰা উচিত নহয়।

# উন্নয়নশীল ভাৰত ৰাষ্ট্ৰৰ সন্মুখত প্ৰত্যাহ্বান

■ প্লাবিতা বৰ্মন



দেশত এতিয়া বিজেপি চৰকাৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শেহতীয়া কাৰ্যকলাপে দেশখনত বহিৰাগত পুজিৰ ৰমৰমীয়া বেহা চলাবে ইংগিত প্ৰদান কৰিছে। ভাৰতৰ দৰে এখনি উন্নয়নশীল দেশত বহিৰাগত পুজিয়ে দেশবাসীক গঢ়িব নে লুটিব সেয়াহে কিন্তু এতিয়া দৰিদ্ৰ জনসাধাৰণৰ বাবে লাখটকীয়া প্ৰশ্ন। কিয়নো এতিয়ালৈকে বিশেষ কোনো "ভাল দিন" অহাৰ আশা দেখা নাই দেশবাসীয়ে। তেনে এক সময়তে বৰ্তমান সমগ্ৰ দেশতে পুঁজিপতিৰ ব্যাপক আগ্ৰাসন দেখা গৈছে। ইয়াৰ বতাহে অসমকো চুই গৈছে। ধনতন্ত্ৰতপুঁজি প্ৰথমে একচেটিয়া আৰু পিছলৈ সাম্ৰাজ্যবাদী হৈ পৰে। নিজৰ দেশত বজাৰৰ চাহিদা কমি যায়, কিয়নো সমৃদ্ধিৰ ফলত সেইবোৰ দেশৰ অধিবাসী সকলে সুখ-সুবিধাৰ প্ৰাচুৰ্যত বাস কৰে, নিজৰ দেশৰ শ্ৰমিকসকলৰ মজুৰি বাঢ়ি যায়, কিয়নো সিহঁতেও কিছু পৰিমাণে সেই সমৃদ্ধি ভোগ কৰে। আনফালে দুখীয়া দেশবোৰৰ বজাৰৰ চাহিদা বেছি, কিয়নো তাত অধিবাসীসকলে তুলনামূলকভাৱে সুখ-সুবিধা অতি কমহে লাভ কৰে। শ্ৰমিকৰ মজুৰিও সেইবোৰ দেশত কম। ইয়াৰ ফলত পুঁজিসমৃদ্ধ দেশসমূহে (সংখ্যাত কম) দুখীয়া দেশৰ (সংখ্যাত বেছি) পিনে ধাৱিত হয়। গৰীৱ দেশত বজাৰ দুৰ্বল, তাক সবল কৰি বাণিজ্য বৃদ্ধি কৰাটো পুঁজিৰ ধৰ্ম। গৰীৱদেশত পুঁজি কম, সেয়ে সেইবোৰ দেশেও বিদেশী পুঁজিক আমন্ত্ৰণ জনায়।

এই ব্যৱস্থা কাৰ্যকৰী হ'লে সমৃদ্ধ দেশবোৰ লাভান্বিত হ'ব, কিয়নো তেওঁলোকৰ উদ্বৃত্ত-পুঁজি লগ্নি কৰাৰ ক্ষেত্ৰ পাব, বিদেশী বজাৰ তেওঁলোকৰ হাতলৈ যাব। দুখীয়া দেশবোৰো অৰ্থনৈতিকভাৱে টনকিয়াল হোৱাৰ সুযোগ লাভ কৰিব। সেইফালৰ পৰা বিশ্বায়ন কাম্য হ'লেও ইয়াৰ ফল সদায় শুভ নহ'বও পাৰে। কিয়নো দুখীয়া দেশবোৰৰ দুৰ্বলতাৰ সুযোগ লৈ সবল দেশবোৰে শোষণৰ পথ লোৱাৰ সম্ভাৱনা থাকে। সেয়ে যিবোৰ দেশ বিশ্বায়নৰ পিনে আগুৱাই গৈ আছে সেইবোৰ দেশে বিদেশী পুঁজি আমন্ত্ৰণ কৰাৰ সময়ত সতৰ্ক থাকে, যাতে স্বাৰ্থ হানি নঘটে। বৰ্তমান বিশ্বত অভূতপূৰ্ব প্ৰযুক্তিগত উন্নতিৰ মূলতেই হ'ল পুঁজিৰ বিশ্বায়ন। টেলিফোন, টেলিপ্ৰিন্টাৰ, টেলেক্স, ফেক্স, ইলেক্ট্ৰনিক মেল, ইণ্টাৰনেট আদিয়ে বিশ্বখনক আয়ত্তলৈ আনিছে, মুহূৰ্তৰ ভিতৰতেই বিশ্বৰ যিকোনো প্ৰান্তৰ সৈতে যোগাযোগ সম্ভৱ হৈ উঠিছে।

তৃতীয় বিশ্বৰ দৰিদ্ৰ আৰু উন্নয়নশীল দেশবোৰে যেতিয়া আৰ্থিক বিকাশৰ আশাত বিদেশী পুঁজিক আমন্ত্ৰণ জনায়, তেতিয়াই তেওঁলোকে বিশ্বায়নৰ পথত প্ৰথম ভৰি দিয়ে। আমেৰিকা আৰু অন্যান্য উন্নত পাশ্চাত্য দেশবোৰে সিহঁতৰ উদ্বৃত্ত পুঁজি এই দৰিদ্ৰ তথা উন্নয়নশীল দেশসমূহত খটুৱাবলৈ সদায় উদগ্ৰীৱ হৈ থাকে। আনফালে, উন্নয়নশীল দেশবোৰে নিজৰ দেশৰ প্ৰযুক্তিক উন্নত কৰাৰ মানসেৰে বিদেশী পুঁজিৰ লোভনীয় প্ৰস্তাৱক অগ্ৰাহ্য নকৰি আহ্বানহে কৰে। সেইফালৰ পৰা চাবলৈ গ'লে বহুজাতিক কোম্পানীবোৰৰ জৰিয়তে ধনী দেশবোৰে মেলি দিয়া মুক্ত অৰ্থনীতিয়েই হ'ল বিশ্বায়নৰ মূল কথা।

পুঁজিক কেন্দ্ৰ কৰি বিশ্বায়ন সংঘটিত হ'লেও বিশ্ব-সাংস্কৃতিক জগততো ইয়াৰ প্ৰভাৱ অবিসম্বাদিত। সম্প্ৰতি বহুজাতিক সংস্থাবোৰ সাংস্কৃতিক ক্ষেত্ৰত অধিক সক্ৰিয় হোৱা দেখা যায়। ইয়াক কিছুমানে সাংস্কৃতিক আক্ৰমণ বুলিও অভিহিত কৰিছে। তেওঁলোকৰ মতে তৃতীয় বিশ্বত যি সাংস্কৃতিক আক্ৰমণ চলিছে, সি সাংস্কৃতিক সাম্ৰাজ্য বুলিও অভিহিত কৰিছে। এই সাংস্কৃতিক আক্ৰমণৰ অন্তৰালত চালিকাশক্তি হিচাপে আছে উন্নত পুঁজিবাদী দেশবোৰৰ সাংস্কৃতিক উৎস। সাংস্কৃতিক কাৰণতেই পুঁজিবাদী পশ্চিমীয়া দেশত পৰ্ণোগ্ৰাফিৰ পৰা পিজালৈকে শিল্পৰ দ্ৰুত সম্প্ৰসাৰণ ঘটি আছে। এই সাংস্কৃতিক পৰিমণ্ডলৰ ভিতৰত আছে— দূৰদৰ্শন, সংবাদ পত্ৰ, বিভিন্ন খাদ্য দ্ৰব্য, পানীয়, সাজপাৰ, বিবিধ শিল্পকৰ্ম প্ৰভৃতি। এইবোৰ ক্ষেত্ৰত বিনিয়োগ অতি লাভজনক হৈ উঠাৰ ফলত নতুন নতুন দিশ বা ক্ষেত্ৰ উন্মোচিত হৈ আছে। এইবোৰ সাংস্কৃতিক উৎপন্ন সামগ্ৰী যাতে নতুন নতুন অঞ্চলত জনপ্ৰিয় হৈ উঠে তাৰ ব্যৱস্থা বহুজাতিক কোম্পানীবোৰে কৰি আছে। তাৰেই অংশ হিচাপে ভাৰতবৰ্ষ তথা অসমৰ সাংস্কৃতিক জগততো দ্ৰুত ৰূপান্তৰ লক্ষণীয় হৈ উঠিছে।

ইংৰাজী কথাটো লেটিন কুলতুৰা আৰু কোলেৰে ৰ পৰা আহিছে। শব্দটো ইংৰাজীত প্ৰথম ১৪৮৩ চনত ব্যৱহৃত হয় পূজা আৰু কৃষ্টি অৰ্থত। ক্ৰমে ইয়াৰ অৰ্থান্তৰ ঘটে। বৰ্তমান অৰ্থত শব্দটো প্ৰথম ব্যৱহাৰ হয় ১৮০৫ খ্ৰীঃত। 'ঐতৰেয় ব্ৰাহ্মণ'ত 'সংস্কৃতি' শব্দটো থাকিলেও আধুনিক ভাৰতীয় সাহিত্যত সম্ভৱতঃ মাৰাঠী পণ্ডিতসকলে এই শব্দটো প্ৰথম ব্যৱহাৰ কৰে। বাংলাত 'কৃষ্টি' অৰ্থত ব্যৱহাৰ কৰা প্ৰথমগৰাকী ব্যক্তি হ'ল যোগেশচন্দ্ৰ ৰায় বিদ্যানিধি। সম্ভৱতঃ ১৯২৪-২৫ অথবা তাৰ দুই-এবছৰৰ আগতেই বিদ্যানিধিয়ে শব্দটো বাংলাত প্ৰয়োগ কৰে। কিন্তু 'কৃষ্টি' শব্দটো ৰবীন্দ্ৰনাথৰ মনঃপুত নোহোৱাত 'ঐতৰেয় ব্ৰাহ্মণত' পোৱা 'সংস্কৃতি' শব্দটোকেই ৰ প্ৰতিশব্দৰূপে ৰবীন্দ্ৰনাথে জনপ্ৰিয় কৰি তোলে।

সংস্কৃতিৰ সৰ্বজনগ্ৰাহ্য সংজ্ঞা এতিয়ালৈকে নিৰূপিত হোৱা নাই। টি. এছ. এলিয়ট, মেথিউ আৰ্নল্ড প্ৰভৃতিৰ মতে সংস্কৃতি হ'ল জীৱন-যাপন পদ্ধতি— টেৰি ইগলটনৰ মতে, সংস্কৃতি এক বিশেষ দৃষ্টিভংগী, মূল্যবোধৰ এক উন্নয়ন, যিয়ে আমাৰ খণ্ডিত ৰাজনৈতিক সত্তাক পৰিশীলিত আৰু পৰিশুদ্ধ কৰি আমাৰ মানৱিক সত্তাক ৰক্ষা কৰে

বিবিধ বিতৰ্ক আৰু জটিলতাক একাষৰীয়াকৈ থৈ সহজ ভাষাত ক'ব পাৰি, জীৱন-ধাৰণৰ প্ৰয়োজনক বাদ দি মানুহে তেওঁৰ সৃজনশীল প্ৰৱণতা আৰু ক্ষমতাৰ বলত যি সৃষ্টি কৰে, যি মানুহৰ চিৎকৰ্ষৰ পৰিচায়ক, যি তাৰ সমাজ জীৱনৰো অংগ, তাৰ সামগ্ৰিক ৰূপেই সংস্কৃতি। অৰ্থাৎ একাষাৰত ক'বলৈ হ'লে সামাজিক জীৱন যাত্ৰাৰ ৰূপেই হ'ল সংস্কৃতি।

ইংৰাজী শব্দটিৰ পৰিভাষাৰূপে লোক-সংস্কৃতি শব্দটো আমাৰ মাজত ব্যাপকভাৱে প্ৰচলিত। ১৮৪৬ চনত উইলিয়াম জোন থমছয়ে শব্দটো প্ৰথম ব্যৱহাৰ কৰে।পণ্ডিত সমাজত শব্দটিৰ পৰিভাষাৰ ক্ষেত্ৰত বৈচিত্ৰ্য আৰু বৈসাদৃশ্য আছে। বা 'লোক' শব্দৰ অৰ্থ সম্পৰ্কে জনৈক

বিশেষজ্ঞই কোৱা এযাৰ কথা ইয়াত উল্লেখ কৰা হ'ল ঃ 'লোক' বুলিলে গ্ৰাম্য অঞ্চলত বসবাসকাৰী কৃষক বা জনসাধাৰণকে বুজায়, যিসকলৰ দৈহিক বা সাংস্কৃতিক বৈশিষ্ট্যগত সমতা বৰ্তমান আৰু এই সমতা উত্তৰাধিকাৰ সূত্ৰে আৰু ঐতিহ্য অনুসৰণৰ ধাৰাত তেওঁলোকৰ মাজত প্ৰবহমান— লোকনাট্য সম্পৰ্কীয় আলোচনা প্ৰসংগত অজিত কুমাৰ ঘোষে 'লোক' শব্দটিৰ ব্যাখ্যা কৰিছে এনেদৰে ঃ 'লোক' শব্দটোৰ আভিধানিক অৰ্থ মানুহ বা ব্যক্তি হ'লেও বৰ্তমান বিশেষ অৰ্থত নাগৰিক মানৰ সম্প্ৰদায়ৰ পৰা স্বতন্ত্ৰ নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাৰ মাজত আবদ্ধ ঐতিহ্য ধাৰাবাহী গ্ৰামীণ মানৰ সম্প্ৰদায়কেই বুজায়। গতিকে দেখা যায় লোক-সংস্কৃতি গঢ়ি উঠে গ্ৰাম্য জীৱনক কেন্দ্ৰ কৰি। গাঁৱৰ পৰিশীলনহীন, নাগৰিকতাৰ পৰা দূৰৱৰ্তী, গাঁৱলীয়া মানুহৰ ধৰ্মবিশ্বাস, লৌকিক আচাৰ, নৃত্য-গীত, লোকশিল্প, লোকভাষাৰ সাহিত্য, লোককথা আদি সকলোবোৰেই লোক-সংস্কৃতিৰ অন্তৰ্ভুক্ত লোক-সংস্কৃতিৰ এই ধৰণৰ সংজ্ঞা, বৈশিষ্ট্য আৰু পৰিধি দীৰ্ঘদিন ধৰি প্ৰচলিত হৈ আহিলেও সময়ৰ অগ্ৰগতিৰ লগে লগে লোক-সংস্কৃতিৰ সংজ্ঞা আৰু পৰিধিৰো পৰিৱৰ্তন ঘটিছে। এই সন্দৰ্ভত প্ৰথিতযশা লোক-সংস্কৃতিবিদ বৰুণকুমাৰ চক্ৰৱৰ্তীয়ে লিখিছে ঃ 'দীৰ্ঘকাল ধৰে আমৰা বলে এসেছি 'ফোক' মানে নিৰক্ষৰ মানুষ। কিন্তু তা যথাৰ্থ নয়। ফোক বা 'লোক' সংহত সমাজেৰ মানুষ। ... আধুনিককালেৰ লোক-সংস্কৃতিবিদৰা কখনেই মনে কৰেন না লোক হবেন গ্ৰামেৰ অধিবাসী, তাঁৰা হবেন নিৰক্ষৰ এবং মূলতঃ কৃষিজীৱী। এখন বিশ্বাস কৰা হয়না যে কৃষিভিত্তিক সমাজ জীৱনেই কেৱল লোক-সংস্কৃতিৰ সন্ধান মিলবে কিংবা শিল্পায়নেৰ ফলে লোক-সংস্কৃতিৰ অবলুপ্তি ঘটাব। বিশ্বাস কৰা হয় না যে নগৰায়ণেৰ ফলে গ্ৰামীণ জীৱন যতই পৰিবৰ্তিত হবে ততই লোক-সংস্কৃতিৰ বিশুদ্ধতা লোপ পাবে।" আধুনিক লোক-সংস্কৃতিবিদসকলৰ মতে একমাত্ৰ কৃষিজীৱী সমাজতেই নহয় লোক-সংস্কৃতিৰ অবিশ্ৰিম উপাদান সিঁচৰতি হৈ আছে চহৰবাসীসকলৰ (ত্ৰয়োদশ পৃষ্ঠালৈ)

# সমন্বয়ৰ প্ৰতীক শোণিতকোঁৱৰৰ গজেন বৰুৱা

■ নগেন বৰা

শোণিতকোঁৱৰ গজেন বৰুৱাই শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ ডেকাসুন্দৰ গাঁৱৰ এটি সম্ভ্ৰান্ত পৰিয়ালত ১৯১৫ চনত জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ পিতৃ গংগানাথ বৰুৱা। তেওঁ এগৰাকী বিশিষ্ট মুক্তিযোদ্ধা, সমাজ সেৱক আৰু ১৯২১ চনত পোনপ্ৰথমবাৰৰ বাবে বিশালভিত্তিত পতা বাৰেচহৰীয়া ভাওনাৰ উদযাপন সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। জামুগুৰিহাটৰ সু-সন্তান গজেন বৰুৱা একাধাৰে গীতিকাৰ, নিবন্ধকাৰ, গল্পকাৰ, নৃত্যবিদ, চিত্ৰকৰ, সমাজ-সংগঠক, শংকৰী কলা-সংস্কৃতিৰ ধ্বজাবাহক আৰু কলা-সংস্কৃতিৰ জৰিয়তে পৰ্বত-ভৈয়ামৰ সম্প্ৰীতি অটুট ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰা এগৰাকী প্ৰতিভাবান ব্যক্তি আছিল।

বহুমুখী প্ৰতিভাৰ গৰাকী জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্যলৈ যোৱাৰ সুযোগ পোৱাৰ কাৰণেই গজেন বৰুৱা তদানীন্তন সময়ত বিশেষভাৱে বিখ্যাত হৈ পৰিছিল। তেজপুৰৰ হাইস্কুলত পঢ়ি থাকোঁতে তেওঁ তেজপুৰৰ সেই সময়ৰ প্ৰথিতযশা অভিনেতা ঠানু বৰা, উমাকান্ত বৰুৱা, তুলসী দাস আদিৰো সংস্পৰ্শলৈ গৈছিল। শিল্প সাধনাত গভীৰ আস্থাৰ ফলস্বৰূপে কলা-সংস্কৃতিৰ বহল পথাৰখনত খোজ পেলাই ৰূপকোঁৱৰ, কলাগুৰুৰ উপৰি অসমৰ মহান প্ৰতিভাৰ অধিকাৰী হেমাংগ বিশ্বাস আৰু ভাৰতৰত্ন ভূপেন হাজৰিকাক লগ পাই নতুন প্ৰেৰণাৰে আগবাঢ়ি গৈছিল। এই আটাই কেইগৰাকীয়েই স্বনামধন্য শিল্পী, সাহিত্যিক আৰু বহুমুখী প্ৰতিভাৰ ব্যক্তি। আটাই কেইগৰাকীয়েই আছিল- চিত্ৰকৰ, ভাস্কৰ্যশিল্পী, নৃত্য বিশাৰদ, শিল্প সংস্কৃতিৰ ওজা। মানুহৰ চিন্তা-চেতনাক উজ্জীৱিত কৰি সত্য সুন্দৰৰ আলোক সন্ধানী চিৰ নমস্য, চিৰপূজ্য, ৰূপান্তৰৰ আৰিয়াধাৰী। গজেন বৰুৱাদেৱৰ শিল্পীসত্তাই এই মহান প্ৰতিভাধৰ সকলক লগ পাই তেওঁলোকৰ চিন্তা-চেতনাৰে নিজকে নিয়োজিত কৰি পৰম তৃপ্তিৰে ইপ্সিত লক্ষ্যত উপনীত হোৱাৰ সেন্দুৰীয়া পথেৰে বাট বুলিছিল।

সংস্কৃতি এটা জাতিৰ প্ৰাণস্বৰূপ। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত ভাৰতীয় সমাজ শিক্ষা-দীক্ষা, কলা-সংস্কৃতি ক্ষেত্ৰখনত আগবাঢ়ি যোৱাৰ সকলো সুযোগ-সুবিধা পৰ্যাপ্ত নাছিল। ভাৰতীয় গন নাট্য সংঘ প্ৰতিষ্ঠা লাভ কৰি সমাজখনক কলা-সংস্কৃতি সাধনাৰ জৰিয়তে সঙ্গীত, নাটক, চিত্ৰকলা আদিৰে জনগণৰ চিন্তা চেতনাক তৰান্বিত কৰাত এই মাধ্যম উপযুক্ত হিচাপে বিবেচিত হৈছিল। ভাৰতৰ প্ৰায়বিলাক প্ৰদেশতে এই অনুষ্ঠানটি প্ৰচাৰ প্ৰসাৰতা বৃদ্ধিৰ কাৰণে ভাৰতীয় গণনাট্য সংঘই অহোপুৰুষাৰ্থ কৰিছিল। শিক্ষাৰ বহুল প্ৰচাৰৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি কঠোৰ সংগ্ৰামত শিল্পীসকল ব্ৰতী হৈছিল। অসম আৰু বেংগলত ইয়াৰ শাখা প্ৰতিষ্ঠা কৰি হেমাংগ বিশ্বাস, জ্যোতিপ্ৰসাদ আগৰৱালা, শোণিতকোঁৱৰ গজেন বৰুৱা, শেহতীয়াকৈ ভূপেন হাজৰিকা জড়িত হৈ পৰিছিল।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সৃষ্ট কলা-সংস্কৃতিৰ প্ৰতি আকৃষ্ট হৈ গভীৰ শ্ৰদ্ধা আৰু আত্মবিশ্বাসেৰে শংকৰী কলা-সংস্কৃতিৰ একান্ত সেৱক আৰু সাধনাত মনোনিৱেশ কৰি গভীৰ প্ৰশান্তি লাভেৰে গজেন বৰুৱাদেৱ একান্ত সাধকৰূপে পৰিগণিত হৈছিল। বৰ নটুৱা প্ৰখ্যাত চিত্ৰশিল্পী গজেন বৰুৱা জামুগুৰি অঞ্চলৰ সুযোগ্য সন্তান। অসমৰ পৰ্বত ভৈয়ামৰ একতাৰ এনাজৰী সুদৃঢ় কৰাৰ কামত মনোনিৱেশ কৰি পাহাৰ ভৈয়ামৰ ভিন ভিন জনগোষ্ঠী তথা ভাষা, বৰ্ণ, ধৰ্ম সম্প্ৰদায়ৰ মাজত সম্প্ৰীতি গঢ়ি প্ৰয়াত বৰুৱাই ওৰেতো জীৱন অহোপুৰুষাৰ্থ কৰিছিল। জামুগুৰিহাট প্ৰয়াত যোগেন বৰা, ভোলাকটকী, হলি কটকী আদি কেইবাজনো সংস্কৃতিবান ব্যক্তিয়ে তেখেতক সংগ দিছিল। জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনাত পৰম্পৰাগত সামাজিক সাংস্কৃতিক, আধ্যাত্মিক, লোক-স্থাপত্যৰ নান্দনিক সৌন্দৰ্য আৰু নাট ভাওনাৰ ৰূপ-নীতি আৰু গভীৰ পাৰমাৰ্থিক তাৎপৰ্যৰ কথা সংযোগ কৰি এখেতে বাৰেচহৰীয়া ভাওনাক সমগ্ৰ ভাৰতবৰ্ষত প্ৰচাৰ কৰি এক অনন্য মাত্ৰা প্ৰদান কৰি গৈছে। সেই কাৰণেই এইগৰাকী শোণিতকোঁৱৰ গজেন বৰুৱা চিৰকাললৈ জামুগুৰিবাসীৰ লগতে অসমী আইৰ চিৰনমস্য শিল্পী হৈ ৰ'ব।

বাৰেচহৰীয়া ভাওনাৰ ৰভাৰস্থলী খলাবোৰ আৰু মধ্যস্থলৰ গম্বুজ আকৃতিৰ কলচীযুক্ত গুৰু আসন প্ৰতিষ্ঠাৰ পৰিকল্পনা, চিত্ৰপট এইগৰাকী গজেন বৰুৱাৰ তুলিকাতে জীৱন্ত হৈ আজিও সেই আৰ্হিৰে ২১ খন খলাযুক্ত বাৰেচহৰীয়া ভাওনা চলি আছে। তদানীন্তন ভাৰতীয় নাট্য জগতৰ বিশিষ্ট ব্যক্তি, চিত্ৰ ভাস্কৰ্য শিল্পী সংগীত নাটক একাডেমীৰ বিশিষ্ট ব্যক্তিসকলক ভাওনা থলীত একত্ৰিত কৰি বাৰেচহৰীয়া ভাওনাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তে সৰ্বভাৰতীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। শেহতীয়াকৈ তেখেতৰ ঘৰৰ সন্মুখৰ পকামুৱা পথাৰ, বাৰেচহৰীয়া ভাওনা থলী তেওঁৰেই নিৰ্বাচন। বৰ্তমান এই স্থান বাৰেচহৰীয়া ভাওনাৰ স্থায়ী থলী হিচাপে পৰিগণিত হ'ল।

জামুগুৰিহাটৰ সকলো অংশৰ জনগণৰ অতি শ্ৰদ্ধাৰ পাত্ৰ হিচাপে তেওঁ প্ৰতিষ্ঠা লাভ কৰিলে।

১৯৭৭ চনৰ ২১ জানুৱাৰী তাৰিখে জামুগুৰিবাসীৰ হিয়াৰ আমঠু, ভাৰতীয় গণ নাট্য সংঘৰ এগৰাকী নিষ্ঠাবান সাংস্কৃতিক কৰ্মী আমাৰ মাজৰ পৰা চিৰ বিদায় মাগিলে।

# মাচুল নে জিজিয়া কৰ?

■ নাছিৰ আহমেদ

ভাৰতৰ ইতিহাস অনুধাৱন কৰিলে আমি পাওঁ যে, মোগল সম্ৰাট ঔৰংজেৱে হিন্দু ধৰ্মাৱলম্বী লোক সকলৰ ওপৰত জিজিয়া কৰ আৰোপ কৰিছিল।

মুছলিম ইতিহাসবিদ সকলে দাবী কৰে যে, ইছলামিক ধৰ্মীয় নীতি অনুসৰি প্ৰতি গৰাকী উপাৰ্জনকাৰী ধনী পৰিয়ালে উপাৰ্জনৰ আয়ৰ ওপৰত জাকাত ( ইছলামিক মতে এক প্ৰকাৰৰ কৰ) আদায় বাধ্যতামূলক হোৱাৰ সমান্তৰালকৈ ধনী হিন্দু পৰিয়ালে জিজিয়া কৰ পৰিশোধ কৰিবলৈ মোগল সম্ৰাট ঔৰংজেৱে নিৰ্দেশ দিছিল। চৰকাৰে সাংস্কৃতিক ক্ষেত্ৰৰ পৰা ক্ৰীড়া পৰিচালক সকলক কিছু অনুদান আগবঢ়াই প্ৰশংসাৰ পাত্ৰ হৈছে যদিও যোৱা ১৫ নৱেম্বৰত অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক সচিব বিশ্বজিৎ পেগুৱে এক নিৰ্দেশ মৰ্মে বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ হলে চৰকাৰ বা পুলিচৰ সেৱা সেতু এপপ অন লাইনযোগে অনুমতি লব লাগিব অন্যথা অনুষ্ঠান বে-আইনী বুলি ঘোষণা কৰা কিমান দূৰ সমীচীন হৈছে? তদুপৰি তলত উল্লিখিত নিৰিখত বান্ধি দিয়া মাচুলসমূহ পূৰ্ববৰ্ত্তী চৰকাৰে বান্ধি দিয়া নিৰিখতকৈ প্ৰায় ২০ গুণ সেৱা কৰ বৃদ্ধি কৰাত অসমৰ জনগণ বিশেষকৈ বুদ্ধিজীৱী, সমাজ সচেতন ব্যক্তি তথা বিৰোধী ৰাজনৈতিক দলসমূহে সামাজিক মাধ্যমত তীব্ৰ ভাবে প্ৰতিবাদ কৰি সোনকালেই এই উচ্চহাৰে নিৰ্ধাৰণ কৰা মাচুল তথা জিজিয়া কৰ উঠাই লবলৈ চৰকাৰক হেঁচা প্ৰয়োগ কৰি আছে।

যেনে, সাংস্কৃতিক কাৰ্যসূচী, সভা-সমিতি, আলোচনা চক্ৰ উদযাপন কৰিলেও দিব লাগিব ৩০০ টকা।

ৰাজনৈতিক দলৰ সভা-সমিতি, প্ৰচাৰ কাৰ্য্য বা ৰাজনৈতিক দলৰ শোভাযাত্ৰা বা ৰেলী উলিওৱাৰ বাবদ অনুমতি লোৱা বাবদ আগৰ ১০০ টকা নিৰিখৰ পৰিৱৰ্তে এতিয়া দিব লাগিব ২০০০ টকা। ক্ৰীড়া ক্ষেত্ৰতো সমূহীয়া দৌৰ মাৰাথন দৌৰ বাইক ৰেলী, কাৰ ৰেলী অনুষ্ঠিত কৰিবলৈ হলে আগতে দিব লাগিছিল ৩০০ টকা। এতিয়া ভৰিব লাগিব ২০০০ টকা। বাণিজ্য মেলা, খাদ্য মেলা, থিয়েটাৰ প্ৰদৰ্শনী, বিভিন্ন ব্যৱসায়িক প্ৰদৰ্শনী, নিউ ইয়েৰ ইভেণ্ট এক্সপো আদি ব্যৱসায়িক প্ৰতিষ্ঠান আদিতো আগৰ নিৰ্ধাৰিত নিৰিখ ১০০০ টকাৰ পৰিৱৰ্তে নতুনকৈ নিৰ্ধাৰিত নিৰিখ হ'ল ৫০০০ টকা। সজাগতা সভাৰ বাবে আগতে দিব লাগিছিল ২০০ টকা; এতিয়া দিব লাগিব ৫০০ টকা। এনেকি অসমীয়াৰ জাতীয় উৎসৱ ৰঙালী বিহু নৃত্য প্ৰদৰ্শন কৰিলেও এতিয়া অনুমতি লোৱাৰ বাবে ভৰিব লাগিব ৩০০ টকা।

এয়া চৰকাৰৰ ৰাজকোষ টনকিয়াল কৰাৰ বাবেই যে সকলো ক্ষেত্ৰতে অনুমতি বাবদ ওপৰোক্ত মাচুল নিৰ্ধাৰণ কৰিছে, সি খাটাং। ইতিমধ্যে আমাৰ অসম চৰকাৰে কিছুমান অভিলাষী আঁচনি কাৰ্যকৰী কৰাৰ নামত ডেৰ লাখ কোটি ঋণৰ দুৰ্বিসহ বোজা কান্ধত ওলমি লৈছে। তাৰ বাবে প্ৰত্যেকজন অসমীয়াই কষ্ট ভুগিব লগা হৈছে। সাহিত্য -সংস্কৃতি আৰু ক্ৰীড়া প্ৰেমী সংগঠন সমূহে বহুতো ধন ব্যয় আৰু কঠোৰ শাৰীৰিক আৰু মানসিক শ্ৰমৰ বিনিময়ত এই অনুষ্ঠানসমূহ অনুষ্ঠিত কৰে। গতিকে, বৰ্তমান বিজেপি শাসিত ৰাজ্যিক চৰকাৰে এই উদ্যোগী লোকসকলক সম্পূৰ্ণ ৰূপে সকাহ দিয়াৰ পৰিৱৰ্তে এই ভাবে তেওঁলোকৰ ওপৰত উচ্চ হাৰত মাচুল প্ৰদান কৰা নিঃসন্দেহে অযৌক্তিক হৈছে। ৰাজনৈতিক ৰেলী বা সভা-সমিতি উদযাপন কৰিবলৈ দিয়াৰো প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি ; কাৰণ, সমাজ তথা ৰাজ্যখন সৰ্বাংগসুন্দৰ আৰু সুস্থ ভাবে চলিবলৈ হ'লে সৰ্বস্তৰৰ মানুহৰ মাজত ৰাজনৈতিক পৰিপক্কতাৰ খুবেই দৰকাৰ। এই ক্ষেত্ৰতো অনুমতি দানৰ নামত চৰকাৰে উচ্চ হাৰত মাচুল নিৰ্ধাৰণ কৰাটোও গ্ৰহণযোগ্য নহয়। বিভিন্ন সামাজিক কু-

**এয়া চৰকাৰৰ ৰাজকোষ টনকিয়াল কৰাৰ বাবেই যে সকলো ক্ষেত্ৰতে অনুমতি বাবদ ওপৰোক্ত মাচুল নিৰ্ধাৰণ কৰিছে, সি খাটাং। ইতিমধ্যে আমাৰ অসম চৰকাৰে কিছুমান অভিলাষী আঁচনি কাৰ্যকৰী কৰাৰ নামত ডেৰ লাখ কোটি ঋণৰ দুৰ্বিসহ বোজা কান্ধত ওলমি লৈছে। তাৰ বাবে প্ৰত্যেকজন অসমীয়াই কষ্ট ভুগিব লগা হৈছে**

সংস্কাৰ অন্ধবিশ্বাস বা বিভিন্ন দুৰাৰোগ্য ব্যাধি প্ৰতিহত কৰাৰ বাবে অনুষ্ঠিত কৰা সচেতনতা সভা সমূহত চৰকাৰে নিজে দায়িত্ব লৈ আগবঢ়া উচিত বা যিবিলাক সচেতন ব্যক্তিয়ে আগভাগ লয়, তেওঁলোকক সম্পূৰ্ণ সুবিধা দান কৰা উচিত। অথচ, তাকে নকৰি বৰ্তমান বিজেপি শাসিত ৰাজ্যিক চৰকাৰে এই অনুষ্ঠানসমূহ অনুষ্ঠিত কৰা সমিতিক অনুমতিৰ নামত নানা ধৰণৰ চৰ্ত আৰোপ আৰু উচ্চ হাৰত মাচুল বৃদ্ধি কৰি নিৰুৎসাহিত কৰা পৰিলক্ষিত হৈছে। আনহাতে, ধৰ্মীয় অনুষ্ঠান, ধৰ্মীয় শোভাযাত্ৰাৰ ক্ষেত্ৰত চৰকাৰে সম্পূৰ্ণ ৰূপে ৰেহাই দিছে। গতিকে এনে ধৰণৰ মাচুল বা সেৱা কৰক মোগল সম্ৰাট ঔৰংজেৱে নিৰ্ধাৰণ কৰা জিজিয়া কৰ বুলি উল্লেখ কৰিব নোৱাৰি জানো?

# জাতিটোৰ সন্ধিক্ষণ আৰু আমাৰ কৰণীয়

■ হিমাংশু ৰণজন ভূঞা

এটা জাতিৰ প্ৰতিজন ব্যক্তিয়েই নিজৰ দেশখনক আৰু জাতিটোক অকৃত্ৰিম ভাৱে ভালপাব পাৰিলে, নিজৰ ন্যস্ত স্বাৰ্থক বিসৰ্জ্জন দি মহান স্বাৰ্থৰ হকে কাম কৰাৰ মানসিকতা গঢ়ি তুলিব পাৰিলেই জাতিটোক উচ্চ আসনত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব পৰা যায়। প্ৰকৃতাৰ্থত ঐক্য সম্প্ৰীতি আৰু সমন্বয়ৰ মাজেদি নিজস্ব সামাজিক আৰু সাংস্কৃতিক মানদণ্ড বজাই ৰাখি এটা নিৰ্দ্দিষ্ট ভৌগোলিক পৰিসীমাৰ ভিতৰত বসবাস কৰা লোক সকলক লৈয়ে একোটা জাতি গঢ় লৈ উঠে আৰু সেই লোক সকলৰ জাতীয় চেতনা বোধৰ মাধ্যমেদিয়েই জাতিটোৰ পৰিচয় উজ্জীৱিত হৈ উঠে। বিশ্বৰ ভিতৰতে বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাৰতবৰ্ষৰ এখন অংগৰাজ্য হিচাপে আমাৰ ৰাজ্য অসমৰ লোকসকলে প্ৰকৃতপক্ষে নিজস্ব ভাষা-সংস্কৃতি, নিজস্ব সামাজিক ব্যৱস্থা আদি দিশসমূহ সামৰি সুস্থ সৱল অসমীয়া জাতি হিচাপে পৰিচয় দাঙি ধৰিব পাৰিছোনে ? সাম্প্ৰতিক সময়ত এইটো এটা ডাঙৰ প্ৰশ্ন। দেখা গৈছে - বিশ্বৰ উন্নত জাতিসমূহৰ লোকসকল সদা সৰ্বদা জাতিটোৰ সন্মান আৰু মৰ্যদাৰ প্ৰতি সদা সচেতন আৰু তেওঁলোকে জাতীয় চেতনাৰ আদৰ্শক আন্তৰিকতাৰে গ্ৰহণ কৰি বিশ্ব দৰবাৰত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে । আজি আমাৰ অসমীয়া জাতিটো জটিল সন্ধিক্ষণত। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, সাংস্কৃতিক আদি সকলো দিশতে সংকটত পৰিছে অসম আৰু অসমীয়া জাতি। এই সংকটত পৰা আমাৰ জাতিটোক মুকলি বতাহৰ মাজলৈ আনিবলৈ যেন কাৰোৰে সময় নাই। ৰাজ্যখনত ৰাইজৰ দ্বাৰা গঠিত এখন চৰকাৰ আছে - কিন্তু প্ৰৱঞ্চনা, প্ৰতাৰণা, বোকা চতিওঁৱাৰ খেলত ব্যস্ত হৈ থকা চৰকাৰখনে ৰাইজৰ সুখ সুবিধাৰ প্ৰতি দৃষ্টি দিবলৈ সময় নাপায়।পদে পদে বিপদত পৰা সাধাৰণ শ্ৰেণীৰ অসমীয়াই একো নোপোৱাত পৰিছে। অতি-আৱেগিক অসমীয়া জাতিয়ে মাথো ৰাজপথত প্ৰতিবাদ কৰি, অসম বন্ধ দি, অনশণ-সত্যাগ্ৰহ কৰি সমস্যা সমাধান কৰাৰ চেষ্টা কৰিছে যদিও নিতৌ ন-ন সমস্যা বাঢ়ি গৈহে আছে। এটা চামে পাছে আৱেগপ্ৰৱণ অসমীয়াৰ এই খন্তেকীয়া অতি-আৱেগৰ সুযোগ লৈ মুনাফা আদায়ৰ বাবে তৎপৰ হৈ থকাও দেখা গৈছে।


দেখা গৈছে, অসমৰ আপুৰুগীয়া সম্পদ ভাষা টোও সংকটৰ গ্ৰাসত পৰাৰ উপক্ৰম হৈছে। ভাষা হৈছে এটা জাতিৰ প্ৰথম আৰু প্ৰধান পৰিচয়। অসমীয়া ভাষা অসমীয়া জাতিৰ মূল উপাদান। মাতৃভাষাৰ কথিত আৰু লিখিত এই দুয়োটা ৰূপৰ লগতেই প্ৰতিজন ব্যক্তি, প্ৰতিজন সন্তান গভীৰভাৱে পৰিচিত হ'লেহে প্ৰকৃতাৰ্থত আমাৰ ৰাজ্যখন আৰু আমাৰ জাতিটোৱে শিৰ উচ্চ কৰাৰ শকতি লাভ কৰিব। প্ৰকৃতাৰ্থত ভাষাৰ অধ্যয়ণ আৰু চৰ্চাই শব্দৰ ভাণ্ডাৰ চহকী কৰে। কিন্তু আমাৰ ভাষাটোক লৈ আমি কিমান সচেতন ? আমাৰ ভাষাটোৰ সংৰক্ষণৰ বাবে আমাৰ কৰণীয় যেন একোৱেই নাই। নিজৰ সন্তানক ইংৰাজী বিদ্যালয়ত পঢ়োৱাৰ নামত অসমীয়া ভাষা শিক্ষাৰ পৰা বঞ্চিত কৰি ইংৰাজী ভাষাকে প্ৰধান ভাষা হিচাপে গ্ৰহণ কৰিবলৈ প্ৰেৰণা যোগাই আমি নিজৰ ভাষা সাহিত্যৰ ক্ষতি কৰিবলৈ চেষ্টা চলোৱা নাইনে ? আমাৰ ভাষা সাহিত্য এনে এটা অৱস্থাত উপনীত হৈছেগৈ যে - 1972 চনত শিক্ষাৰ মাধ্যম অসমীয়া কৰাৰ দাবীত ৰাজ্যখনত হৈ যোৱা ব্যাপক আন্দোলনৰ পিছতো শেহতীয়াকৈ অসমীয়া ভাষা প্ৰচলন কৰিবলৈ অসম সাহিত্য সভাই পদক্ষেপ গ্ৰহণ কৰিবলগীয়া হৈছে। বিষয়টো ইতিবাচক। কিন্তু মাতৃভূমিতে মাতৃভাষা ৰক্ষাৰ বাবে আন্দোলন কৰিবসগীয়া অৱস্থা কিমান সন্তোষজনক বা দূৰ্ভাগ্যজনক সেয়া বুজাই কোৱাৰ প্ৰয়োজন নিশ্চয় নাই। আমাৰ ৰাজ্যিক ভাষা প্ৰচলনত চৰকাৰী পক্ষই যেনেভাৱে অনিহা প্ৰকাশ কৰি আহিছে, ঠিক তেনেকৈয়ে শিক্ষাৰ ক্ষেত্ৰতো যথেষ্ট ত্ৰূতি আছে। শৈক্ষিক দিশত বিশেষকৈ চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহ ত্ৰূতিমুক্ত নোহোৱাৰ বাবেই ৰাজ্যখনৰ সিংহভাগ অভিভাৱকেই নিজ নিজ সন্তানক ব্যক্তিগত পৰ্যায়ৰ বিদ্যালয়ত নামভৰ্তি কৰোৱাৰ প্ৰৱণতা গঢ় লৈ উঠিছে। ইংৰাজী মাধ্যমত শিক্ষা দিয়াব পাৰিলেহে উপযুক্ত মানুহ হৈ উঠিব বুলি গঢ়ি উঠা ধাৰণাই সম্প্ৰতি আমাৰ ভাষাটোৰ প্ৰতিয়েই চৰম সংকট কঢ়িয়াই আনিছে। গাঁৱে ভূঁঞে, নগৰে চহৰে এই ইংৰাজী প্ৰীতিয়ে এতিয়া এনেভাৱে আৱৰি ধৰিছে যে - কাৰোবাৰ ঘৰলৈ গ'লে ঘৰৰ শিশুটিক তোমাৰ নাম কি বুলি যদি প্ৰশ্ন কৰা হয়, তেতিয়া উত্তৰ পোৱা যায় - 'মাই নেম ইজ.....'। 'মা', 'দেউতা'ৰ ঠাইত সিঁহতক ক'বলৈ শিকোৱা হৈছে 'মাম্মী' 'পাপা'। পেহা-পেহী, জেঠাই-জেঠো, মামা-মামী, খুৰা-খুৰী, বৰদেউতা-বৰমাৰ স্থান ল'লে 'আংকল-আন্টি' য়ে। টিভিৰ কাৰ্টুন চাই শিকা কিছুমান আচহুৱা হিন্দী-ইংৰাজী মিশ্ৰিত খিচিৰি ভাষাৰে সৰুৰ পৰা ককায়েক-ভায়েক, বায়েক-ভনীয়েকৰ লগত কথা-বতৰা পতা দেখিও শুধৰাই দিয়াৰ পৰিৱৰ্তে দহজনৰ আগত 'আমাৰ ইহঁত কেইটাই অসমীয়াত কথা নাপাতেই, হিন্দী-ইংৰাজীতহে পাতে' বুলি জহাই ফুৰি সিঁহতৰ কণমানি মন-মগজুত অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি অনিহাৰ ভাৱ সৃষ্টিত নিতৌ অৰিহণা যোগাই আহিছে পিতৃ মাতৃ, অভিভাৱকে। নিচেই সৰুৰ পৰা সন্তানটিৰ সন্মূখতে এইদৰে নিজৰ জাতীয়তাবোধ জলাঞ্জলী দিবলৈও কুণ্ঠাবোধ নকৰা এনে বহু পিতৃ-মাতৃয়ে নিজেই যে নিজৰ সন্তানটিৰ ভৱিষ্যৎ ক্ৰমাৎ অন্ধকাৰলৈ ঠেলি দি আছে - সেই কথা কিন্তু তিলমানো অনুধাৱন কৰা নাই। ইংৰাজী মাধ্যমত পঢ়ালে বুলিয়েই চাহাবী ঢঙৰে শিশুটিক ইংৰাজীতহে যে কথা ক'বলৈ শিকাব, 'তোমাৰ নামটো কি' বুলি অসমীয়াত সুধিলে উত্তৰত 'মাই নেম্ ইজ্...' বুলি ইংৰাজীত হে উত্তৰ দিবলৈ শিকোৱাটো কিমান যুক্তিসংগত এবাৰ ভাবি চাবৰ হ'ল। অসমীয়াত কথা বতৰা পাতিবলৈ শিকালে 'জাত যোৱা' বুলি ভাবিবলৈ লৈছে আজিৰ এইচাম তথাকথিত অভিভাৱকে। এটা কথা খাটাং যে নিজৰ আপোন মাতৃভাষাক আওঁকান কৰি ইংৰাজীক মূখ্যস্থান দি অসমীয়া ক'ব বা লিখিব নজনা বিষয়টো কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। প্ৰণিধানযোগ্য যে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণনে বিদেশী ভাষা এটাক জ্ঞান আহৰণৰ মাধ্যম কৰি লোৱাটো শিক্ষাবিজ্ঞানৰ দৃষ্টিতেই অযুক্তিকৰ বুলি মাতৃভাষাৰ সপক্ষে থিয় দিয়াৰ লগতে 1953 চনৰ মাধ্যমিক শিক্ষা আয়োগৰ প্ৰতিবেদনত মাতৃভাষা শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কোৱা হৈছে যে -'মাতৃভাষা শিকা মানে কেৱল লিখাপঢ়া বা শব্দভাণ্ডাৰ বৃদ্ধিৰ কথাটোৱে নুবুজাই , ই হৈছে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক ব্যক্তিত্বৰ বিকাশ সাধন কৰাৰ উৎকৃষ্ট আৰু মণনশীল মাধ্যম'। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ নে গ্ৰহণ কৰা এই স্থিতিৰ বহুকেইটা দশক পাৰ হৈ যোৱাৰ পিছত সম্প্ৰতি আমি আমাৰ মাতৃভাষাৰ উচিত মূল্যায়ণ কৰিছোনে ?

গতিকে এনে বাসনা ত্যাগ কৰি জাতিটো আৰু ভাষাটোৰ প্ৰতি থকা দায়বদ্ধতা স্বীকাৰ কৰি উঠি অহা প্ৰজন্মৰ প্ৰতিগৰাকীকে একো একোজন ভাল অসমীয়া কৰি গঢ়ি তুলিবলৈ সংকল্প গ্ৰহণ কৰাতোহে উচিত । আমাৰ আপোন মাতৃভাষা, আমাৰ অসমৰ চিৰপ্ৰৱাহমান ঐতিহ্য, অসমীয়া সাহিত্য-সংস্কৃতিৰ ভৱিষ্যৎ সুৰক্ষাৰ বাবে আজিৰ প্ৰতিগৰাকী পিতৃ-মাতৃৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য হ'ল নিজৰ সন্তানটিক যি মাধ্যমৰ বিদ্যালয়তে নপঢুৱাওক, অন্তঃত ঘৰত থকা সময়খিনিত নিচেই সৰুৰ পৰা মাতৃভাষাত কথা পাতিবলৈ শিকোৱা, সমন্ধীয় মানুহখিনিক 'আংকল' 'আন্টি' জাতীয় ইংৰাজী শব্দৰ ঠাইত আমাৰ নিভাঁজ, আপোন শব্দবোৰৰে সম্বোধন কৰিবলৈ শিকোৱা আৰু সৰ্বোপৰি অসমীয়া সাহিত্য, সংস্কৃতি, গীত মাত আদিৰ চৰ্চা কৰিবলৈ ঘৰখনত এক সুস্থ-সবল পৰিৱেশ গঢ়াত মনোনিবেশ কৰা। সৰুৰে পৰা অসমীয়া কেঁচা মাটিৰ সুবাস থকা থলুৱা গীত মাত সমূহ চৰ্চা কৰিবলৈ, অসমৰ মহান মণিষীসকলৰ জীৱনী অধ্যয়ণ কৰিবলৈ, তেওঁলোকৰ চিন্তা, কৰ্ম আৰু আদৰ্শৰ জ্ঞান দিবলৈ, শিশু উপযোগী বিভিন্ন অসমীয়া গ্ৰন্থ, সাধু কিতাপ, কাকত-আলোচনী আদি অধ্যয়ণ কৰিবলৈ, নিজৰ ওপজা ঠাইখনৰ বিষয়ে জানিবলৈ যদি প্ৰতিগৰাকী শিশুক নিজৰ পিতৃ-মাতৃ বা পৰিয়াল ৰ অন্যান্য জ্যেষ্ঠসকলে অনুপ্ৰাণিত কৰে, এক সুস্থ পৰিৱেশ দিয়ে, তেতিয়াহ'লে নিশ্চিতভাৱে শিশুটিৰ মন আৰু মগজুত অসম আৰু অসমীয়া জাতি মাটি, শিল্প-সাহিত্য, ঐতিহ্য সংস্কৃতিৰ প্ৰতি ভালপোৱা আৰু দায়বদ্ধতাৰ ভাৱ জাগৃত হ'ব। সি যি ধৰণৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়তে নপঢ়ক কিয়, পৰৱৰ্তী কালত নিজৰ আপোন ভাষা সাহিত্য, কলা সংস্কৃতিৰ চৰ্চা কৰিবলৈ আগ্ৰহী হ'ব। গতিকে নিজৰ সন্তানৰ ভৱিষ্যত জীৱন সুন্দৰ কৰাৰ স্বাৰ্থত ইংৰাজী মাধ্যমত সন্তানক নামভৰ্তি কৰোৱা প্ৰতিগৰাকী পিতৃ-মাতৃয়ে যদি ঘৰত শিশুটিক শুদ্ধভাৱে অসমীয়াত কথা-বতৰা পতা আৰু সাহিত্য সংস্কৃতিৰ চৰ্চা কৰাৰ পৰিৱেশ সুদৃঢ় কৰি গঢ়ি তুলিব পাৰে, তেন্তে অসমীয়া সাহিত্য সংস্কৃতি সুস্থ সবল ৰূপত জগতসভাত জিলিকি থাকিব।

ভাষাৰ উপৰিও আজিৰ অসমীয়াই নিজৰ সন্তান সকলক নীতিশিক্ষা, শিষ্টাচাৰ, সৌজন্যতাবোধ আদিকে ধৰি সজ আচৰণবোৰৰ জ্ঞান দান কৰাটোত লাজ-লগাকৈ ব্যৰ্থ হৈছো। আমি সকলোৱেই দেখি আহিছো - ঘৰলৈ আলহি গ'লে আজিৰ অধিকাংশ শিশুৱে ওলাই আহি কিদৰে মাতবোল কৰিব লাগে, বহিবলৈ অনুৰোধ জনাব লাগে, জ্যেষ্ঠজনৰ প্ৰতি কেনে ভাৱে সন্মান প্ৰদৰ্শন কৰিব লাগে এই কথা একেবাৰে নাজানে। অৰ্থাৎ অভিভাৱকসকলে শিশু সকল ক এই সাধাৰন শিষ্টাচাৰ-ভদ্ৰতা খিনিও শিকোৱা দেখা নাযায়। একমাত্ৰ পৰীক্ষাত কিমান নম্বৰ পাইছে তাৰ ওপৰতহে অধিক গুৰুত্ব দিয়া দেখা যায়। আজিকালি তেনে ইংৰাজী মাধ্যমত পঢ়া শিশুৰ ঘৰলৈ গ'লে বহু মাক-দেউতাকে নিজৰ সন্তানৰ পৰীক্ষাৰ ফলাফল আৰু ইংৰাজী ভাষা দখলৰ কথা কৈ নিজৰ ফোপোলা স্বৰূপ প্ৰদৰ্শনৰে শুনোতা ৰ কাণ ঘোলা কৰাৰ উদাহৰণ নতুন কৈ দিয়াৰ প্ৰয়োজন নিশ্চয় নাই। এইদৰেই ইংৰাজী ভাষাত ব্যুৎপত্তি দখল কৰাবলৈ গৈ নিজৰ সন্তানক নিজৰ মাতৃভাষা, ওপজাভূমিৰ জাতি-মাটি, ঐতিহ্য-সংস্কৃতি, কলা সাহিত্যৰ পৰা বিছিন্ন কৰাৰ বিকৃৎ মানসিকতাৰ বাবেই আমাৰ সমাজখন আৰু ভৱিষ্যৎ কৰ্ণধাৰস্বৰূপ তেওঁ লোকৰ সন্তানসকলক পংগু কৰি পেলাইছে। এই মানসিকতাৰ পৰিৱৰ্তন তেতিয়ালৈকে অসম্ভৱ, যেতিয়ালৈকে প্ৰতিগৰাকী অসমীয়াৰ মন মগজু আৰু অন্তৰৰ আঁহে কোঁহে তীব্ৰ জাতীয়তাবোধ আৰু স্বাভিমানৰ বীজবোৰ গজি নুঠিব।

ভাষা সাহিত্য যদিও এটা জাতিৰ মূল চালিকা শক্তি তথাপিতো জাতিটোৰ সুস্থ ভৱিষ্যত আৰু সামাজিক অৰ্থনৈতিক বিকাশ নিৰ্ভৰ কৰে প্ৰতিগৰাকী লোকৰ কৰ্মনিপুনতা, স্বাৱলম্বীতা আৰু দায়বদ্ধতাৰ ওপৰত। আজি আমি বজাৰৰ পৰা শাক-পাচঁলি মাছ-মাংসলৈকে সকলোখিনি কিনিছো সন্দেহজনক বুলি আখ্যা দিয়া লোক সকলৰ পৰা, নিত্য-ব্যৱহাৰ্য দাইল, (ত্ৰয়োদশ পৃষ্ঠালৈ)

# পৰম্পৰাগত পোছাকত ৰনদীপ-লিনৰ বিয়া





বলীউডৰ তাৰকা অভিনেতা ৰনদীপ হুডা আৰু অভিনেত্ৰী লিন লাইশ্ৰমৰ বিবাহ। দুয়োৰে পৰিয়ালৰ সদস্যৰ মাজত ব্যক্তিগত অনুষ্ঠানত বিবাহপাশত আবদ্ধ হয়। ৰনদীপ হুদা আৰু অভিনেত্ৰী লিন লাইশ্ৰমৰ বিবাহ সন্দৰ্ভত সকলোতে চৰ্চা চলিছে। বলীউডৰ বিয়াতকৈ সম্পূৰ্ণ পৃথক ষ্টাইলত মণিপুৰৰ মেইটেই সম্প্ৰদায়ৰ পৰম্পৰাগত ৰীতি-নীতি অনুসৰি ৰনদীপ হুডাই বিবাহপাশত আবদ্ধ হয়। ইয়াৰ ছবি আৰু ভিডিঅ' ইণ্টাৰনেটত প্ৰচলিত। প্ৰতিখন ছবি আৰু ভিডিঅ'ই এক বেলেগ অভিজ্ঞতা দি আছে। এই বিয়াৰ পৰা জয়মলৰ ভিডিঅ'টো পোহৰলৈ আহিছে, যিটো চোৱাৰ পিছত আপুনি বুজিব মণিপুৰৰ প্ৰকৃত পৰম্পৰা। অভিনেতা ৰনদীপ হুদা আৰু অভিনেত্ৰী লিন লাইশ্ৰমৰ জয়মালা সাধাৰণ জয়মালাৰ পৰা একেবাৰে পৃথক। সাধাৰণতে উত্তৰ ভাৰতীয় বা দক্ষিণ ভাৰতীয় বিয়াত দৰা-কইনা থিয় হৈ ইজনে সিজনক মালা পিন্ধিছিল যদিও এই মণিপুৰী শৈলীৰ বিয়াত সেয়া সম্পূৰ্ণ বেলেগ আছিল। ৰনদীপ হুদা বহি থাকিল আৰু লিন লাইশ্ৰমে থিয় হৈ তাক মালা পিন্ধিলে আৰু তাৰ পিছত তাই তাৰ কাষতে বহিল। ইয়াৰ পিছত ৰনদীপে তাইক মালা পিন্ধাই তাৰ পিছত বিয়াৰ ৰীতি-নীতি আগবাঢ়িল। এই সময়ত দুয়োকে মেইটেই পৰম্পৰাৰ পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰা দেখা গৈছিল। উল্লেখ্য যে মণিপুৰৰ ৰাজধানী ইম্ফলৰ চুমথাং শন্নাপুং ৰিজৰ্টত ৰনদীপ আৰু লিন লাইশ্ৰমৰ বিবাহ অনুষ্ঠান অনুষ্ঠিত হৈছিল। ইয়াত পৰম্পৰাগত মেইটেই পৰম্পৰা অনুসৰি বিবাহপাশত আবদ্ধ হয় অভিনেতা ৰনদীপ হুডা আৰু লিন লাইশ্ৰমে। বিয়াৰ মাত্ৰ এদিন আগতে দুয়োজনে মন্দিৰত উপস্থিত হৈ শুভ কামৰ আগত ঈশ্বৰৰ আশীৰ্বাদ লৈছিল, যাৰ ভিডিঅ' ক্লিপ প্ৰকাশ পাইছিল। দুয়োৰে যুটিটোক ভিডিঅ'টোত আচৰিত ধৰণে দেখা গৈছে। কেৱল এয়াই নহয়, পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰা দেখা গ'ল ৰনদীপ আৰু তেওঁৰ হ'বলগীয়া পত্নী লিনক। এই ছবি আৰু ভিডিঅ'বোৰ ছচিয়েল মিডিয়াত অতি দ্ৰুতগতিত ভাইৰেল হৈ আছে। ইয়াৰ উপৰিও দুয়োজনেই মণিপুৰৰ সাহায্য শিবিৰলৈও গৈছিল। তাত মানুহ লগ পাইছিলোঁ। ইয়াৰ বহু ছবি আৰু ভিডিঅ'ও প্ৰকাশ পাইছিল। ইয়াৰ উপৰিও বিবাহৰ পূৰ্বৰ মণিপুৰী অনুষ্ঠানৰ ছবিও পোহৰলৈ আহে। ছবিবোৰত ৰনদীপ হুডা আৰু লিন লাইশ্ৰম দুয়োকে মজা কৰা দেখা গৈছে।



# পুনৰ ভাইৰেল টুইংকল-অক্ষয় যুটি

বলীউডৰ খিলাদি কুমাৰ অৰ্থাৎ অক্ষয় কুমাৰে নিজৰ শৈলী আৰু অভিনয়েৰে পৰ্দাত আধিপত্য বিস্তাৰ কৰিছে। কমেডীৰ পৰা একচনলৈকে অক্ষয় কুমাৰে প্ৰতিটো চৰিত্ৰতে অনুৰাগীৰ হৃদয় জয় কৰাত সফল হয়। ছ'চিয়েল মিডিয়াত সদায় জনপ্ৰিয় হৈ থকা অক্ষয় কুমাৰ আকৌ এবাৰ লাইমলাইটলৈ আহিছে। এইবাৰ অক্ষয় কুমাৰৰ কোনো এখন ছবিৰ বাবে নহয় পত্নীৰ বাবে শিৰোনামত আছে। দুয়োৰে এটা ভিডিঅ' ক্ৰমান্বয়ে ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে। এই ভিডিঅ'টোত অক্ষয় কুমাৰক তেওঁৰ পত্নী টুইংকলৰ গ্ৰন্থ উন্মোচনী অনুষ্ঠানত উপস্থিত হোৱা দেখা গৈছে। পোহৰলৈ অহা ভিডিঅ'টোত দেখা গৈছে অক্ষয় কুমাৰ আৰু টুইংকল খান্নাক। এই ভিডিঅ'টো টুইংকল খান্নাৰ সদ্য উন্মোচন কৰা গ্ৰন্থখনৰ স্বাক্ষৰ অনুষ্ঠানৰ। এই অনুষ্ঠানত অক্ষয় কুমাৰে পত্নীৰ ওচৰলৈ গৈ কিতাপখনত চহী কৰা দেখা যায়। সি টুইংকলৰ ওচৰ পায়গৈ আৰু কিতাপখনত চহী কৰিবলৈ কয়। টুইংকল খান্নাই তেওঁক কিতাপখনত চহী কৰিবলৈ অস্বীকাৰ কৰে আৰু তেওঁক অপেক্ষা কৰিবলৈ কয়। ই স্পষ্টকৈ কৈছে যে তেওঁ প্ৰথমে থিয় হৈ থকা মানুহৰ কিতাপত চহী কৰিব আৰু ইয়াৰ পিছত অক্ষয় কুমাৰে পিছলৈ ঘূৰি কৈছে যে তেওঁ ৰৈ থাকিব আৰু পিছত আহিব। দুয়োটাৰে এই ধেমেলীয়া ষ্টাইলটো মানুহে ভাল পাইছে। কেৱল এয়াই নহয় অক্ষয় কুমাৰেও টুইংকলৰ বাবে এটা পোষ্ট লিখিছে। এই পোষ্টটোত তেওঁ লিখিছে, 'গৌৰৱান্বিত, অধিক গৌৰৱান্বিত, আটাইতকৈ গৌৰৱান্বিত। আপুনি মোক সদায় তেনেকুৱা অনুভৱ কৰায়, সেয়া লিখিবলৈ আৰম্ভ কৰাই হওক, ৪০ বছৰ বয়সত বিশ্ববিদ্যালয়লৈ উভতি যোৱাই হওক বা প্ৰতিটো সুযোগতে বয়স আৰু নীতি-নিয়মক প্ৰত্যাহ্বান জনোৱাই হওক। আজি যেতিয়া আপুনি আপোনাৰ নতুন গ্ৰন্থ 'জন্নাত স্বাগতম' উন্মোচন কৰিব, তেতিয়া মই জানো যে ই মোৰ বুকুখন গৌৰৱেৰে ফুলিবলৈ গৈ আছে। অভিনন্দন টিনা' কওঁ, অক্ষয় কুমাৰক শেষবাৰৰ বাবে দেখা গৈছিল 'মিছন ৰাণীগড়'ত। এইবাৰ অক্ষয় কুমাৰৰ তিনিখন ডাঙৰ ছবি মুক্তি পালে। ইয়াৰ ভিতৰত আছে 'চেলফি' আৰু 'অ' মাই গড চ'। পৰ্দাত চেলফীয়ে বিশেষ একো কৰিব নোৱাৰিলেও অনুৰাগীৰ মৰম লাভ কৰিলে। 'মিছন ৰাণীগড়'ৰ কথা কওঁতে সমালোচকসকলে এই ছবিখনতো অক্ষয় কুমাৰৰ কাম ভাল পাইছিল। বক্স অফিচত ছবিখনে ভাল প্ৰদৰ্শন নকৰিলেও ছবিখনৰ কাহিনীয়ে অতিশয় প্ৰশংসা লাভ কৰে। অতি সোনকালে অক্ষয় কুমাৰক আৰু বহু ছবিত দেখা যাব, ইয়াৰ ভিতৰত আছে 'ৱেলকাম টু জাংগাৰ' আৰু 'হেৰা ফেৰী ৩'।







# নয়নতৰাৰ ‘বাৰ্থডে কাৰ’

## দাম দেখি নেটিজেন অবাক


নয়ন্তৰা আৰু বিগণেশ শিৱনক দেশৰ ধনী দম্পতীৰ ভিতৰত গণ্য কৰা হয়। ২০২২ চনত বিবাহৰ কথা ঘোষণা কৰি এই দম্পতীহালে লাইমলাইটলৈ আহিছিল। ইয়াৰ পিছত দম্পতীহালে প্ৰায়ে অনুৰাগীৰ সৈতে নিজৰ ব্যক্তিগত আৰু পেছাদাৰী জীৱনৰ সবিশেষ শ্বেয়াৰ কৰে। বুধবাৰে ছচিয়েল মিডিয়াত এটা পোষ্ট দি সকলোকে স্তম্ভিত কৰি তুলিছিল অভিনেত্ৰীগৰাকীয়ে। কাৰণ তেওঁ প্ৰকাশ কৰিছে যে তেওঁৰ স্বামী বিগণেশ শিৱনে তেওঁক এখন অতি দামী গাড়ী উপহাৰ দিছে। শেহতীয়াকৈ



১৮ নৱেম্বৰত অভিনেত্ৰীগৰাকীয়ে ৩৯ সংখ্যক জন্মদিন উদযাপন কৰে। এইবাৰ তাই এই বিশেষ দিনটো স্বামী ভিগণেশ শিৱন আৰু তেওঁলোকৰ যমজ পুত্ৰ উইৰ আৰু উলাগৰ সৈতে কটাবলৈ সিদ্ধান্ত লৈছিল। এতিয়া জন্মদিনৰ ৰৰ দিনৰ পাছত নয়ন্তৰাই স্বামীৰ জন্মদিনৰ উপহাৰৰ ছবিখন ছ'চিয়েল মিডিয়াত শ্বেয়াৰ কৰিছে। ‘নানুম ৰাউডী ধন’ৰ পৰিচালক



ভিগণেশে পত্নীৰ বাবে উপহাৰ দিছে এখন মাৰ্চিডিজ মেইবাক। মাৰ্চিডিজ মেইবাক দেশৰ অন্যতম বিলাসী গাড়ী। এই গাড়ীখনৰ মূল্য প্ৰায় ২.৬৯ কোটিৰ পৰা ৩.৪০ কোটি টকাৰ ভিতৰত। নয়ন্তৰাই কেপচনত স্বামীৰ বাবে ধন্যবাদ পত্ৰও শ্বেয়াৰ কৰিছিল, লগতে তেওঁৰ নতুন গাড়ীখনকো আদৰণি জনাইছিল। তেওঁ লিখিছে, ‘‘ঘৰলৈ স্বাগতম সুন্দৰ; মোৰ প্ৰিয় স্বামী, জন্মদিনৰ আটাইতকৈ মিঠা উপহাৰৰ বাবে ধন্যবাদ; লাভ ইউ‘‘ ২০১৫ চনৰ ‘নানুম ৰাউডী ধন’ ছবিখনৰ কাম কৰি থকা সময়তে নয়ন্তৰা আৰু বিগণেশ শিৱনৰ লগ হৈছিল। ছবিখনৰ অভিনেত্ৰী আছিল নয়নথানা আৰু পৰিচালক আছিল বিগণেশ। তেতিয়াৰে পৰা দুয়োৰে প্ৰেমৰ সম্পৰ্ক আছিল আৰু অৱশেষত ২০২২ চনৰ ৯ জুনত বিবাহপাশত আবদ্ধ হৈছিল যোৱা বছৰৰ অক্টোবৰ মাহত চেৰ'গেচিৰ জৰিয়তে যমজ পুত্ৰ উইৰ আৰু উলাগৰ পিতৃ-মাতৃ হৈছিল।



## দৌৰিছোঁ কেৱল দৌৰিছোঁ

**অজিত মেধি**

এখন বিস্তীৰ্ণ পাৰৰ মাজেৰে
মই দৌৰিছোঁ
মোৰ পিছে পিছে দৌৰিছে এখন চিলা
চিলাৰ পিছে পিছে এজাক শিশু
তাৰ পিছে পিছে মই

মোৰ দুৰ্বল স্মৃতিপটৰ পৰা
ক্ৰমশঃ হেৰাই গৈছে
শইচ পথাৰৰ সেউজী, সোণালী লহৰ
জান জুৰি পাহাৰ জাৰণিবোৰ
মোৰ গাঁৱৰ একাবেঁকা
কেঁচা আলিবাটবোৰ
আম-কঁঠাল, তামোল-পাণৰ বাৰীবোৰ
শেৱালিৰ সুবাসেৰে আমোলমোলাই থকা
শুৱনি পদুলিৰে গাঁৱৰ সৰু সৰু ঘৰবোৰ
আৰু সহজ সৰল চিনাকি মানুহবোৰ

মই দৌৰিছোঁ কেৱল দৌৰিছোঁ
অকণো জিৰণি নোলোৱাকৈ
মই দৌৰিছোঁ
কেতিয়াবা চহৰৰ প্ৰশস্ত আলিয়েদি
কেতিয়াবা হয়তো নগৰ মহানগৰৰ
সদাব্যস্ত জনাৰণ্যৰ ভীৰ ঠেলি

মোৰ আগে পিছে সোঁৱে বাওঁৱে
সহসৃজনে ঊৰ্দ্ধশ্বাসে দৌৰিছে
পিছলৈ চাবলৈ সময় কাৰো নাই
কাৰো বাবে এখন্তেক ৰ'বলৈ আহৰি নাই
অগণিত খোজৰ ভৰত পৃথিৱী কঁপিছে

এতিয়া দৌৰি দৌৰি মই ভাগৰি পৰিছোঁ
মোৰ আগে পিছে খোজৰ শব্দ
ক্ৰমশঃ নোহোৱা হৈ আহিছে

এতিয়া শুনিবলৈ বৰকৈ মন গৈছে
চিলাৰ পিছে পিছে দৌৰি ফুৰা
এজাক শিশুৰ উচ্ছল কোলাহল।

## মই একোৰেই নাজানো

**ড ঃ নমিতা দাস গুৰুং**

" মই থিৰাংকৈ এটা কথাই জানো যে
মই একোৰেই নেজানো। "
-চক্ৰেটিছ

মই ছক্ৰেটিছ নহয়,
নহয় আইনষ্টাইনো,
সেই মহানসকলৰ ছাঁটোও
নহয় মই!

মই কোন
মই তাকেই নাজানো
একো নজনাকৈয়ে
একো নভবাকৈয়ে
তললৈ আহিছোঁ নামি
ওপৰলৈ যোৱাৰ বাট
কেনি ধৰিবই পোৱা নাই।

মই দৌৰিছোঁ
আৰু দৌৰিছোঁ
বহু দূৰ বাট দৌৰিছোঁ
দৌৰি দৌৰি ভাগৰি পৰিছোঁ
ক'লৈ দৌৰিছোঁ মই নাজানো

আনৰ কথাত মই হাঁহিছো
প্ৰাণখুলি হাঁহিছো
কিয় হাঁহিছো
মই নাজানো

আজি কিছুদিন ধৰি
মই কান্দি আছোঁ
কান্দিছোঁ আৰু কান্দিছোঁ
কিহৰ দুখত নাজানো

আচলতে মই
ক'ৰপৰা আহিছোঁ
ক'লৈনো যাম
কাৰ নিৰ্দেশত দৌৰিছোঁ
কাৰ নিৰ্দেশত হাঁহিছোঁ
কাৰ নিৰ্দেশত কান্দিছোঁ
একোৰেই নাজানো

মই ছক্ৰেটিছ নহয় .....
তথাপি মই জানো যে
মই একোৰেই নাজানো!
একো নজনাকৈয়ে
মই গৈ আছোঁ
মই স্পষ্টকৈ দেখিছোঁ
মোৰ পিছে পিছে
আহি আছে এজাক মানুহ .....
তেওঁলোকে নাজানে যে
মই একোৰেই নাজানো....।

## ছিন্নমূল

**জীতেন বৰা**

ছিন্নমূল ছিদ্ৰান্বেষী
চাতুকাৰৰ ছলাহীত
আইৰ শৰীৰ ছানি ধৰিছে
চমৰীয়া ৰোগে।
কোপাৱিষ্ট আইৰ
ক্ৰুদ্ধৰূপ দেখিলেই
বুজিব পাৰি
ভয়াবহ ৰোগৰ প্ৰাৱল্য।
চিন্ময় জনতাৰ
চিকুণ সংবাদ
কোনেনো শুনিবনে?
আইৰ ৰোগ
নিৰাময় কৰিবলৈ
ছিন্নমূল ছিদ্ৰান্বেষী
চাতুকাৰৰ ছলাহীৰ
শিপা উভালিবলৈ
ওলাবনে কোনোবা
অক্ষৌহিনী
জাগ্ৰত প্ৰহৰী হৈ
অসূয়া-অমংগল নাশি
স্বদেশৰ অভিজিৎ হ'বলৈ?

## এটা কবিতাৰ বাবে


**ডাঃ লোহিত শৰ্মা**

আন্ধাৰে স্নান কৰা নদীখনত
শীতে সিঁচি দিলে
কুঁৱলীৰ অলেখ কণা
নিশাৰ কোলাত
নৈ আৰু কুঁৱলীয়ে খেলে
গোপন ধেমালি
পুৱাৰ সূৰ্যটো
নামি আহি নৈৰ বুকুত
বিলাই দিয়েহি
ৰ'দৰ কোমল উত্তাপ
শিলবোৰে
খিল-খিল কৰে হাঁহে
কবিতাৰ পৃথিৱীখনত
তুমি নহ'লে
সৃষ্টি নহয় কবিতা
শব্দৰ গতি বেগত
শব্দই কথা ক'য়...
যি দৰে নদীখন
বৈ যায়
মই কিন্তু কবি নহয়
কেৱল শব্দ বিচাৰি ফুৰোঁ
কিজানিবা ক'ৰবাত
শব্দ বিচাৰি পাওঁ
তোমাৰ কবিতাৰ বাবে
য'ত কবিতাৰ আত্মাই
সুৰ দিব
মোৰ বুকুৰ মজিয়াত।

## তেওঁৰ স'তে মোৰ ভালপোৱা

**মণিজ্যোতি বৰগোহাঁই**

প্ৰতিটো পুৱাই এটি সৰু চৰাই হৈ
ৰ'দৰ জলঙাৰে
তেওঁ মোৰ খিৰিকীত খটখটাইছিল।
দুচকু মোহাৰি মই খিৰিকী খুলিছিলোঁ
মোৰ গালে মুখে চেঁচা চুমা দি
তেওঁ মিচিকিয়াই হাঁহিছিল ।
তেওঁৰ হাঁহিত ফুলবোৰ ফুলিছিল,
বতাহ বলিছিল আৰু
চৰাইবোৰে সুমধুৰ গীতৰ ঐক্যন জুৰিছিল...
নদ নদী, পাহাৰ ভৈয়ামত
মিলনৰ মিলনৰ সুৰ বাজিছিল
ৰণুৱা ঘোঁৰাৰ দৰেই
তেওঁ সিঁচিছিল প্ৰেমৰ অমিয়া বীজ...
বুকুৰে বুকুৰে ভালপোৱা জাগিছিল...
পৃথিৱীৰ বুকুৰ পৰা হত্যা, হিংসা আৰু বিভেদৰ
বীজবোৰ আঁতৰাই
তেওঁৰ বুকুতে সামৰি থব খুজিছিল...
শীতৰ এলাহবোৰ আঁতৰাই তেওঁ
সকলোকে উদ্যমী কৰি তুলিছিল...
আশাত বন্দীহৈ ময়ো তেওঁৰ প্ৰেমত
নিজকে সঁপিছিলোঁ...
তেওঁ দিয়া মৰমবোৰ হৃদয়ত থাপিছিলোঁ
দিনৰ দিনটো তেওঁৰ প্ৰেমত মজি
ঢপলিয়াই ফুৰিছিলোঁ,
সঁচাকৈয়ে তেওঁক মই বৰ ভাল পাইছিলোঁ।
আবেলি--
পথৰুৱা গৰুৰ খোজত তেওঁ
মোৰ পৰা বিদায় মাগিছিল
বিচ্ছেদৰ বেদনাত মোৰ হৃদয়খন কাঁচৰ দৰে
ঝন ঝন কৈ ভাগিছিল...
কলিজা কঁপিছিল...
ওঁঠ কঁপিছিল...
দুহাতেৰে তেওঁ যেন মোক আঁকোৱালি ধৰি
মোৰ কঁপা ওঁঠত চুমি তেওঁ কৈছিল:
আকৌ আহি পুৱাতে জগাই দিম
তোমাক আজিৰ দৰেই...।
ঘন এন্ধাৰে ধৰণী ঢকাৰ আগতেই
তেওঁ বিদায় লৈছিল
আকৌ অহাৰ প্ৰতিশ্ৰুতিৰে...
সঁচাকৈয়ে মই তেওঁৰ প্ৰেমত পৰিছোঁ
তেওঁৰ স'তে মোৰ ভালপোৱা গঢ়ি উঠিছে...।
পথাৰৰ সোণালী ধাননিক
হেঁপাহেৰে জগোৱা
অ' মোৰ প্ৰিয় আঘোণ!
সঁচাকৈয়ে মই তোমাক বৰ ভালপাওঁ ।





# ত্যাগৰ প্ৰতীক তুমি চন্দ্ৰপ্ৰভা

**নিৰ্মালি গোস্বামী**

এন্ধাৰকলীয়া সেইটো দিনত
 মানৱ সমাজ হৈছিল
দুৰ্নীতি কু-সংস্কাৰে মেঘাচ্ছন্ন।
ক্ষয়িষ্ণু এচাম লালায়িত
পুৰুষৰ দ্বাৰা
অৱহেলিত নিষ্পেষিত হৈছিল
 তোমাৰ জন্মভিঠা
তোমাৰ জন্মভূমি।
সঁচাকৈয়ে এই ধৰাধামত
কেৱল পুৰুষৰ বাবেই
নাৰীয়ে স্থান পাইছিল
 ৰান্ধনীশালত
কলংকিতা হৈছিল নাৰী
সকলো দিশত।
সমাজে পুৰুষক বচাই
 নিয়ম বান্ধে
ভুল-শুদ্ধ বিচাৰ নকৰে।
নাৰীৰ শিক্ষাত তেতিয়া
গুৰুত্ব নাছিল
'জয়মতী' চিনেমাৰ
 অভিনেত্ৰীসকল
আজিলৈকে হৈ ৰ'ল উপক্ষিতা।
কলীয়াডাৱৰে ঢকা
তেতিয়াৰ নাৰীৰ আকাশ
হোৱা নাছিল অকণো মুকলি।
চৌদিশে মাথোঁ অন্ধকাৰ
 ৰোধিব পৰা নাছিল
কোনো নাৰীয়েই।
চৌপাশৰ কলীয়া ডাৱৰ ফালি
নিজৰ গাতেই চেকা লগাই
উজ্জলাই তুলিবলৈ
আগবাঢ়ি অহা
প্ৰথম নাৰী আছিলা
তুমি চন্দ্ৰপ্ৰভা শইকীয়ানী।
তুমি আছিলা
অসমৰ অগ্নিকন্যা
দুৰ্বাৰ সাহসী
ত্যাগৰ প্ৰতিমূৰ্তি
তোমাক জনালোঁ
শতকোটি প্ৰণাম।

# নিস্তব্ধ অনুৰাগ

**ৰূপালী গগৈ**

গভীৰ নিশা হঠাতে
টোপনিৰ পৰা সাৰ পালোঁ
কিবা শব্দ শুনা যেন লাগিল।
বিছনাত বহি কাণ উনালোঁ
জিলীৰ মাত আৰু বহুতো
পোক পতংগৰ চিঁ- চিয়ঁনি।
ভেকুলীবোৰেও যেন সমানে
প্ৰতিযোগিতা পাতিছে
কোনে কিমান চিঞৰিব পাৰে।
ৰাতিটো মাতাল হৈ পৰিছে
অদূৰত শুনিলোঁ
কেতেকী চৰাইৰ বিৰহৰ মাত...
সংগীহীন যেন লাগিল তাইক।
হয়তো লগৰীজনক বিচাৰিছে তাই।
কেতেকীৰ বিননিৰ মাজতে
যেন মই বিচাৰি পালোঁ-
সদ্য বিবাহিত নাৰীয়ে
স্বামীক হেৰুৱাই বিধৱা হোৱাৰ বেদনা।
মোৰ দুচকু সেমেকি উঠিল
লাহে লাহে বিছনাৰ পৰা
উঠি আহি খিৰিকীখন
খুলি দিলোঁ।
বাহিৰত অলপ পোহৰৰ
ছিটিকনি পৰিছে..
স্পষ্টকৈ একো নেদেখি।
ওখ ওখ গছবোৰক একোটা
বিৰাটকায় দৈত্য যেন লাগিছে।
মই চোতাললৈ নামি গলোঁ
কাষৰ বাঁহজোপাৰ পৰা
চৰাইবোৰে একেলগে কিৰিলিয়াই উঠিল।
বোধহয় লগৰবোৰক পোহৰ
হোৱাৰ বতৰা দিছে।
হঠাৎ মূৰৰ ওপৰেদি ধপ ধপ
কৰি বাদুলি এটা উৰি গ'ল
মই উচপ খাই উঠি ভাবিলোঁ-
জীৱনটোও দেখোন
এটা বাদুলিৰ দৰেই।





# শৰাইঘটীয়া বীৰ

**মন্দিতা চেতিয়া গগৈ**

মোমাই তামুলীৰ সুযোগ্য পুত্ৰ
লান-ফিমা বংশৰ উত্তৰাধিকাৰী,
লাচিত আছিল তোমাৰ নাম
জিলিকাই তুলিলা তুমি
 অসমীয়াৰ স্বাভিমান।
বহুমুখী শিক্ষা কৰিছিলা লাভ
কৰ্তব্য আৰু কৰ্মনিষ্ঠা আছিল
 তেজত তোমাৰ,
নিৰ্ভীকতাৰে পৰিচয় দিছিলা তুমি
আত্মসন্মান আৰু সাহসিকতাৰ।
আলাবৈ ৰণত তুমি পাইছিলা বহু দুখ
দহ হেজাৰ সেনাৰ মৃত্যুত
কৰিছিলা শোক।
একোজন সেনাই আছিল তোমাৰ
একোটা হাতী
তুমি হে বুজিছিলা সেনাৰ দুৰ্গতি।
তথাপি দিছিলা পৰিচয়
ধৈৰ্য আৰু বিচক্ষণতাৰ,
নিশকতীয়া অসমীয়া সেনাক
 দিছিলা তুমি অজস্ৰ সাহস
দুগুণ উৎসাহেৰে যুদ্ধ জয়ৰ বাবে
কৰিছিলা মানস।
"মোমাই ডাঙৰ নহয়
 দেশতকৈ মোৰ" বুলি
হেংদাং কৰিছিলা ৰাঙলী,
শৰাইঘাটৰ ৰণুৱা-বনুৱাৰ
আছিলা সাহসী সেনাপতি তুমি।
নৰীয়া দেহাৰেই কৰিছিলা ৰণ,
জয়ী হ'ম নতুবা মিলিব মৰণ;
নতুবা ধৰি লৈ যাওক মোক বঙালে
কাপুৰুষ বুলি নাম নথওঁ কাললে।
শত্ৰুৰ সেনাপতি হৈও ৰাজপুত ৰজাই
প্ৰশংসা কৰি গৈছিল সেয়ে
 তোমাক সদায়।
তুমি অসমীয়াৰ শৌৰ্য-বীৰ্য
তুমি অসমীয়া জাতিৰ কীৰ্তি,
তোমাৰ দেশপ্ৰেমৰ উজ্জ্বল নিদৰ্শন
বুৰঞ্জীৰ পাতত ৰওক সদায় জিলিকি।

# আহ্বান

**কৰবী দাস**

জাগা, জাগা হে অসমীয়া
ত্যাগ কৰা সুখ নিদ্ৰা
কিমান শুবা আৰু?
সকলো গ'ল হাতৰ পৰা
 তোমালোকে কৰিছানে মন?
চাকৰি, ব্যৱসায়, বজাৰ
সকলোচোন কাঢ়ি নিলে
মুখৰ পৰা!
তোমালোকৰ এলাহ
 তোমালোকৰ অকৰ্মণ্যতাই
 ইয়াৰ বাবে দায়ী নহয়নে বাৰু?
খেতি, মাটি, ভেটিৰ পৰাও
হ'বা উচ্ছেদিত
যদিহে নোহোৱা সজাগ।
সৰ্বজন বিদিত অসমীয়াৰ
শৌৰ্য-বীৰ্য, বীৰত্ব, পৰাক্ৰম
আৰু স্বাভিমান!
নিজ বিক্ৰমেৰে কৰিছিল পৰাজিত
মহাপৰাক্ৰমী মোগলক
বৃতিছকো পেলাইছিল ওফৰাই
ক'ত গ'ল সেই পৰাক্ৰম,
মনোবল তোমালোকৰ?
কানি বৰবিহৰ পৰা হৈ মুক্ত
পুনৰাই কিয় আসক্ত হ'লা
 সুৰা ড্ৰাগছত?
আঁচনিৰ হৈ মুখাপেক্ষী
হাত- সাৰটি নিষ্কৰ্মা হৈ
থাকিবলৈ নালাগেনে লাজ?
উঠা, তোমাৰ বাহুত আছে
 সীমাহীন বল
প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ
অসমী আইৰ সন্তান তুমি
ভোগা নেকি নীচাত্মিকাত?
শিক্ষিত হৈ কেনেকৈ
খেতিত ধৰিম বুলি।
জানিবা, কামৰ
কোনো সৰু-বৰ নাই।

কঠোৰ শ্ৰমেৰে
পেলাই মাটিত ঘাম
ছন্নপৰা পথাৰ
কৰি তোলা সোণোৱালী
পথাৰ-বজাৰ হাতলৈ আনা
নিজেই নিজৰ মালিক হোৱা
নকৰি গোলামী।
এটোপ-দুটোপকৈ
সৃষ্টি হয় বিশাল জলধাৰা
সেইকথা নাযাবা পাহৰি
গঢ়ি তোলা কৰ্ম - সংস্কৃতি।

# পোহৰতো দেখিছোঁ এন্ধাৰ

**সুশীল মালী**

মই কিয় পোহৰতো
দেখিছোঁ এন্ধাৰ
কিয় দৃষ্টিহীনতকৈয়ো
দৃষ্টিহীন হৈছোঁ মই
শিক্ষাৰ জখলাত বগাই
সু-উচ্চ শৃংগত মই
পদুমৰ সুৰভি বিচাৰি
হাবাথুৰি খাইছোঁ।
হে শাসনৰ বাঘজৰি
ধৰোঁতা সকল!
মই তোমালোককে সুধিছোঁ:
কিয় শিক্ষাৰ জখলাত বগাই
পোহৰতো এন্ধাৰ দেখিছোঁ?
ঐক্য সংহতি আৰু প্ৰগতিৰ
চিন্তা চেতনাৰে উদ্বুদ্ধ
সমাজৰ আজিও
এচাম মানুহ
পোহৰৰ মাজত থাকিও
এন্ধাৰত কিয়?
বিষণ্ন মনে আজি লিখিব নে
গোমা নীল আকাশৰ
অৰ্থহীন লিপি?
বেদনাৰে ভৰপক জীৱনত
যিয়ে জোনাকৰ বৰষুণ
সিঁচিব খোজে
তেওঁ কাৰ চক্ৰান্তৰ
জালত আৱদ্ধ
ফটোগ্ৰাফাৰৰ প্ৰখৰ দৃষ্টিত
আজি এন্ধাৰৰ মাজত
মন থুনুক-থানাক কৰি
কেৱল মনৰ মাজত
লুকাই থাকে
জীৱনৰ প্ৰতিটো খোজৰ
ৰাচ টানি ধৰে
পোহৰ বিলাবলৈ
বিচৰাজনক
তাৰ বাবে হয়তো
প্ৰেমৰ জ্যোতিত যতি পৰে
সেয়ে পোহৰতো
দেখোঁ এন্ধাৰ
হে ক্ষমতাত অধিষ্ঠিতসকল!
তোমালোক যদি সাৰে আছা
নীল আকাশত
নক্ষত্ৰৰ জ্যোতি বিলাই দিয়া
যি নক্ষত্ৰই বিলাব পাৰে
সদায়ে পোহৰ
নিৰাকাৰ মানেই এন্ধাৰ বুলি
মই ভাবো
এন্ধাৰ মানেই শূন্য
জ্ঞান মানেই শক্তি।
তেন্তে পোহৰতো কিয়
খেপিয়াই ফুৰিছোঁ?
কিয় জ্ঞানৰ অলংকাৰ পিন্ধি
এন্ধাৰত ককবকাই ফুৰিছোঁ?
কিয় পোহৰতো আজি
এন্ধাৰ দেখিছোঁ?

# মোৰ অনুভৱ

**ৰূপামনি গগৈ**

তুমি কোৰাৰ দৰেই প্ৰতিটো সময়
হাঁহিৰে সজীৱ কৰিছোঁ
তুমি কোৰাৰ দৰেই অন্তৰৰ পৰা
নিগৰিত হোৱা
প্ৰতিটো শব্দই মন ডায়েৰীত
লিপিবদ্ধ কৰিছোঁ।
তুমি কাষত নেথাকিলেও
সোঁৱৰণী হৈ
ডায়েৰীৰ পাতে পাতে
অতীত
জিলিকি ৰ'ব
মন গ'লে মোৰ ডায়েৰীৰ
পৃষ্ঠাবোৰ চাবা
মোৰ অভিমানখিনি তাতেই
বিচাৰি পাবা।
মোক হেৰাই যাব দিলা
নেবান্ধিলা তুমি মোক
কোনোদিনেই
মৰমৰ নাগপাশেৰে।
নোখোজো আগবাঢ়িব
সেই বাটেৰে
যি বাটেৰে তুমি
ভ্ৰমণ কৰা .........
নিবিড় মৰমেৰে
উশাহে নিশাহে
শয়নে সপোনে
ছাঁ হৈ ঘূৰি আছা।
মহাশূন্যসম হৃদয় প্ৰান্তৰত
চাগৈ একে নাগপাশেই
কাৰাৰুদ্ধ কৰিছে
তোমাকো?
তুমি মুক্ত বিসংগ হৈ
উৰি ফুৰা তোমাৰ
আকাশে বতাহে
সুদূৰ নীলিমাৰ স'তে।

# প্ৰসাধন

**বিনীতা শইকীয়া**

উৰলি যোৱা চোলাৰ
বুটামটো
ছিগো ছিগো হ'ল
ঘৰ্মাক্ত দেহাৰ
লুণীয়া গোন্ধটো
বহুত পুৰণা পুৰণা লাগিল
কেতিয়াবা সময় বুজি
সুগন্ধি পাৰফিউমটো লগাওঁ
দুদিনলৈ আমোলমোল গোন্ধ
যেন চেনিচম্পা ফুলৰ সুগন্ধি
মোৰ আশে-পাশে আছে
এখনি ফুলৰ বাগিচা
আবেলি হ'লে তাতে
জিৰণি লওঁ
গধূলিটো যেতিয়া
নাওঠ হয়
তেতিয়া ...মই খুলি থওঁ
মোৰ পুৰণি সাজযোৰ।



# অনুভৱৰ অনুভৱ

**ৰাণু ভূঞা**

আমি ঘূৰি ঘূৰি
পাকঘূৰণি খাই
একেটা দিশতে ওলাওঁগৈ,
আমাৰ বাৰু পৰিধি
সঁচাই বৰ সীমিতনে?
বিশাল বিশ্বৰ একোণত থাকি,
দেখো সপোন বিশ্ব জয়ৰ,
কিন্তু বাস্তৱত,
হাত সাৰটি বহি থাকোঁ
এইয়াই আমাৰ ফেশ্বন।

লাহে লাহে আমি কৰ্মহীন হৈ
পৰমুখাপেখী হৈছোঁ
তাৰ বাবে নাই আক্ষেপ,
গৰ্বিত আমি দুহাত সাৰটি।

চাল-চলন, বেশ-ভূষা,
সকলোতে আমাৰ
পশ্চিমীয়া ঢং
পাহৰিছোঁ নিজক,
চিনিছো আনক।
কৰিছোঁ আপোন পৰক
আপোনক পৰ কৰি
দিছোঁ পৰিচয় মহানতাৰ।
সেয়ে হেৰুৱাই পেলাইছোঁ
আমি আমাৰ ভৰিৰ মাটি।

নাই লক্ষ্মীনাথ,
নাই অম্বিকাগিৰী,
নাই আদৰ্শ গান্ধীবাদৰ।
কেৱল চিঞৰিছোঁ
আমি টেটুফালি,
আমাৰ সমান মহান..
জগতত নাই।

নিৰীহজনক ছলনা কৰি,
শকুনিৰ কুটিল হাঁহিৰে
বিবস্ত্ৰা দ্ৰৌপদীক বচাবলৈ
নাই আজি আমাৰ দেশত
অসুৰ নিধনকাৰী কৃষ্ণ।

# যন্ত্ৰণাৰ পিঞ্জৰা

**জ্যোতি শইকীয়া কলিতা**

সময়ৰ নিষ্ঠুৰ প্ৰহাৰত
জীৱনৰ সৰ্বোত্তম
সম্পৰ্কটোৰ
মৃত্যু ঘটিছিল।
জন্ম হৈছিল যন্ত্ৰণাৰ
অবিৰত যাত্ৰা
আকস্মিকভাৱেই
নিজৰ নামটো
লিপিবদ্ধ হৈছিল
সভ্য সমাজৰ
অন্য এখন তালিকাত
বেদনাৰ উচ্চ শিখৰ
অৱতীৰ্ণ হৈ
সহবাস কৰিছোঁ
যন্ত্ৰণাৰ স'তে
অপ্ৰিয় হ'লেও
গ্ৰহণ কৰিছোঁ
কষ্টকৰ শব্দবোৰ...
বিলাসবিহীন
ৰঙহীন
অলংকাৰহীন
শব্দবোৰ
এতিয়া মোৰ সদাপৰিচিত।
সপোন দেখিলোহে মাত্ৰ
পূৰ্বঠ নৌহওঁতেই
নিয়তিৰ গ্ৰাসত
নতশিৰ হ'লো
প্ৰয়োজন আছিল
অন্তৰংগ আলাপৰ
প্ৰয়োজন আছিল
ৰক্ষকৰ ৰূপত সাহসী
মতাদৰ্শৰ।
কিন্তু........
আশাহত জীৱনত
দায়িত্বৰ খাতিৰত
বন্দীত্বৰ জীৱন
মনৰ মাজত
অৰ্ধাংগিনীৰ
আত্মিক সম্পৰ্ক
হৃদয়ত তেওঁৰ পদচিহ্ন।
এনেদৰেই মোৰ
অহৰ্নিশে চলি আছে
বিষাক্ত জীৱন যাত্ৰা
দুয়ো পুনৰ একাত্ম
হোৱাৰ প্ৰতীক্ষাত......।



# ২৭,১৮৩ গৰাকী ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদান

(দ্বিতীয় পৃষ্ঠাৰ পৰা) জ্ঞানান্বেষী, আৱিস্কাৰমুখী, শিক্ষাৰ্থীকেন্দ্ৰিক, আলোচনাভিত্তিক, নমনীয় আৰু উপভোগ্য কৰি তোলা হ'ব। তদুপৰি সকলো স্তৰতে মূল্যায়ণ কনচেপচুৱেল আণ্ডাৰষ্টেণ্ডিং বা ধাৰণাগত বুজাবুজি আৰু বাস্তৱ জীৱনত জ্ঞানৰ প্ৰয়োগ আৰু দক্ষতাৰ ওপৰত ভিত্তি কৰি কৰা হ'ব।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষাৰ্থীসকল ভাৰতবৰ্ষৰ অমৃতকালৰ অমৃত সন্তান। ভাৰতবৰ্ষক বিশ্বৰ আগশাৰীৰ দেশ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা দৃষ্টিভংগীৰ বাবে তেওঁ কৃতজ্ঞতা প্ৰকাশ কৰে। আজিৰ প্ৰতিযোগিতামুখী পৰিস্থিতিত নিজৰ দক্ষতা আৰু যোগ্যতা প্ৰমাণিত কৰিবলৈ বহুমুখী জ্ঞান আহৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰীয়ে শিক্ষাৰ্থীসকলক আহ্বান জনায়।

একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে অহা বৰ্ষৰ পৰা আনন্দৰাম বৰুৱা বঁটাৰ পৰিৱৰ্তে আনন্দৰাম বৰুৱা বৃত্তি প্ৰদান কৰা হ'ব। প্ৰতি বছৰে ৩০ হাজাৰ ছাত্ৰ-ছাত্ৰীক এই বৃত্তি প্ৰদান কৰা হ'ব। এই বৃত্তিৰ অধীনত পঞ্চম শ্ৰেণীৰ ১০ হাজাৰ ছাত্ৰ-ছাত্ৰীক ১৫ হাজাৰ টকাকৈ আৰু অষ্টম শ্ৰেণীৰ ১০ হাজাৰ ছাত্ৰ-ছাত্ৰীক ১৫ হাজাৰ টকাকৈ আগবঢ়াই সেই ধনৰাশি ফিক্সড্ ডিপ'জিট কৰা হ'ব। তদুপৰি দশম শ্ৰেণীৰ ১০ হাজাৰ ছাত্ৰ-ছাত্ৰীক এই বৃত্তিৰ অধীনত ১৫ হাজাৰ টকাকৈ নগদ ধন প্ৰদান কৰা হ'ব। আনহাতে অভিযান্ত্ৰিক আৰু চিকিৎসা বিজ্ঞান আদিত নামভৰ্তিৰ সুবিধা লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি বিদ্যালয়সমূহৰ পৰা ৰিপ'ৰ্টকাৰ্ড সংগ্ৰহ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

আজিৰ অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ, মাধ্যমিক শিক্ষা বিভাগৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ জৈন, সমগ্ৰ শিক্ষা অভিযান, অসমৰ মিছন সঞ্চালক ড° ওমপ্ৰকাশ প্ৰমুখ্যে বিভিন্ন বিদ্যালয়ৰ প্ৰধান শিক্ষক, শিক্ষক, শিক্ষাৰ্থী আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# জুৰীয়াত চাৰিখন ৰাস উদযাপন সমিতিলৈ ৰাজ্য চৰকাৰৰ পছিশ হাজাৰ টকাৰ অৰিহনা

(তৃতীয় পৃষ্ঠাৰ পৰা) আৰু সম্পাদকৰ হাতত পচিশ হাজাৰ টকাকৈ অৰিহনাৰ চেক প্ৰদান কৰে। ৰাস সমিতি সমূহক চেক প্ৰদান কৰি বিজেপি নেতা সুৰেশ বৰাই ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী চিন্তাৰ বাবেই এনেদৰে ৰাজ্যৰ ৰাস উদযাপন সমিতি সমূহে অনুদান লাভ কৰাটো সম্ভৱ হৈছে বুলি ব্যক্ত কৰি ভক্ত প্ৰাণ ৰাইজৰ পৰা মুখ্যমন্ত্ৰী আৰু দেশৰ প্ৰধান মন্ত্ৰীৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। আনহাতে, ৰাজ্য চৰকাৰৰ অৰিহনাৰ চেক লাভ কৰি উৎফুল্ল হৈ পৰা ৰাস উদযাপন সমিতি সমূহৰ কৰ্মকৰ্তা সকলে এই অনুদানৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছে।

# আন্তঃৰাষ্ট্ৰীয় টাইকোৱানডো চেম্পিয়নশ্বিপত দৰঙৰ দেৱাশিস গৌতমৰ স্বৰ্ণ জয়

(পঞ্চদশ পৃষ্ঠাৰ পৰা) জিলাৰ চৰগম নাৰ্জাৰীৰ তত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰি ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন খেলত অংশগ্ৰহণ কৰি সফলতা লাভ কৰিছে। চৰগম নাৰ্জাৰীৰ তত্বাৱধানতে গৈ কলিকতাত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় টাইকোৱানডো খেলত স্বৰ্ণ পদক লাভ কৰা দেৱাশিস গৌতমক বৃহত্তৰ দেওমৰনৈ সাংবাদিক সন্থা, দেওমৰনৈ সাহিত্য সভা, দেওমৰনৈ কবি সমাজ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, দেওমৰনৈ আঞ্চলিক সমিতি আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তি বিশেষে অভিনন্দন জ্ঞাপন কৰিছে।

# বিদ্যালয়ৰ মানদণ্ড

(চতুৰ্থ পৃষ্ঠাৰ পৰা) ৫০ এমবিপিএছব্ৰডবেণ্ড সংযোগ, ২০২০ চনৰ ভিতৰত সকলো গ্ৰাম পঞ্চায়তলৈ ৰ জিবিপিএছ সংযোগ আৰু ২০২২ চনৰ ভিতৰত ১০ জিবিপিএছ সংযোগ আৰু দেশৰ সকলো ডাঙৰ উন্নয়ন প্ৰতিষ্ঠানলৈ চাহিদা অনুসৰি ১০০ এমবিপিএছ ব্ৰডবেণ্ডৰ ব্যৱস্থা কৰাকে ধৰি শিক্ষানুষ্ঠানসমূহ। দুবছৰ কোভিদ ৰ বিৰূপ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি কিমানখিনি অৰ্জন হৈছে সেয়া নিঃসন্দেহে প্ৰশ্নবোধক, চৰকাৰী প্ৰতিবেদনৰ ভিত্তিত ভৱিষ্যতে সফলতাৰ হাৰ নিশ্চিত হ'ব। অৱশ্যে ক'ব লাগিব যে ভাৰতে বহু বাধা আৰু দুৰ্নীতিৰ মাজত সমগ্ৰ দেশক ডিজিটেলভাৱে বান্ধি ৰখাৰ পথত আগবাঢ়িছে। ভাৰতীয় টেলিকম নিয়ন্ত্ৰণ কৰ্তৃপক্ষই ২০২১ চনৰ ৩১ আগষ্টত প্ৰকাশ কৰা ব্ৰডবেণ্ড সংযোগ কেন্দ্ৰিক পৰামৰ্শ, 'ব্ৰডবেণ্ড সংযোগ আৰু বৰ্ধিত ব্ৰডবেণ্ড গতি বৃদ্ধিৰ বাবে ৰোডমেপৰ পৰামৰ্শ'ৰ পৰা অনুমান কৰা হৈছে যে ডিজিটেল বিভাজনৰ ফলত ভোগা ভাৰতৰ বৃহৎসংখ্য ছাত্ৰই ২০২১ চনৰ ৩১ আগষ্টত প্ৰকাশ কৰিছে। ব্ৰডবেণ্ডৰ সুবিধা কম খৰচী। কিন্তু, কেৱল নেটৱৰ্কৰ গতি, সুলভ মূল্যৰ হেণ্ডছেটৰ উপলব্ধতা, স্থানীয় ভাষাত লিখা এপ থকা আদিৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন। আজি ভাৰতত আনুমানিকভাৱে স্কুললৈ যোৱা জনসংখ্যা প্ৰায় ৪৫ কোটি, ইয়াৰে মাত্ৰ ২৬ কোটিয়েহে স্কুললৈ যায়। আমাৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ লক্ষ্য হৈছে ২০৩০ চনৰ ভিতৰত বিদ্যালয় শিক্ষাত ১০০ শতাংশ 'মুঠ নামভৰ্তি অনুপাত' লাভ কৰা। ই দেশৰ যোগাযোগ বিপ্লৱৰ লগত খাপ খাই পৰিছে। সেৱা উদ্যোগ, বেংকিং আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহে সকলোৱে নিজৰ তথ্য পৰিচালনা, ৰক্ষণাবেক্ষণ আৰু খনি কৰিবলৈ দেশৰ সৰ্বব্যাপী ডিজিটেল আন্তঃগাঁথনিৰ ওপৰত নিৰ্মাণ কৰি লাভৱান হৈছে। স্কুলবোৰ এতিয়াও পিছ পৰি থাকিবনে?

# উন্নয়নশীল ভাৰত ৰাষ্ট্ৰৰ সন্মুখত প্ৰত্যাহ্বান

( পঞ্চম পৃষ্ঠাৰ পৰা) মাজতো। তদুপৰি ধনী-দৰিদ্ৰ, শ্ৰমিক-মালিক নিৰ্বিশেষে সকলো শ্ৰেণীৰ মাজতেই লোক-সংস্কৃতিৰ উপাদান নিহিত আছে। তেওঁলোকৰ মতে লোক-সংস্কৃতি কেৱল অতীত-আশ্ৰয়ী নহয়, বৰ্তমানৰ সৈতেও তাৰ সম্পৰ্ক আছে। আচলতে যুগোচিত পৰিৱৰ্তনক স্বীকাৰ কৰি লোৱাৰ ক্ষমতা আছে লোক-সংস্কৃতিৰ। সেয়ে লোক-সংস্কৃতি মাথোঁ অতীত আচৰণেই নহয়। সমাজত নিত্য-নতুন লোক-সংস্কৃতিৰ উদ্ভৱ হৈয়েই আছে। লোক-সংস্কৃতিৰ আছে সঞ্জীৱনি শক্তি; সেইফালৰ পৰা ই সবল, গতিশীল আৰু জীৱন্ত।নিৰ্দিষ্ট কিছুমান বৈশিষ্ট্য ইয়াৰ গাত থাকিলেও সেইখিনিক লৈয়ে ই সন্তুষ্ট নহয়। সময়ৰ লগে লগে গ্ৰহণ-বৰ্জনৰ মাজেৰে সংস্কৃতি আগবাঢ়ি যায়। ই যেনিবা বোৱতী নদীৰ দৰে। যদি কোনো সংস্কৃতিৰ প্ৰবহমানতা নাথাকে তেনেহ'লে সি খাল বা পুখুৰীৰ অৱৰুদ্ধ পানীৰ দৰেই মলিয়ন, দুৰ্গন্ধযুক্ত আৰু অস্বাস্থ্যকৰ হৈ উঠিব। সেইবাবে জীৱন্ত-সংস্কৃতিৰ লক্ষণহ'ল ইয়াৰ মুক্ত খিৰিকীৰ অনিবাৰ্যতা, যাৰ মাজেৰে নিৰ্মল বায়ু সোমাই আহিব পাৰে অনায়াসে।

সভ্যতাৰ অগ্ৰগতিৰ লগে লগে সমাজ আগবাঢ়িছে, বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ নৱ নৱ সফলতাৰ বাবে সমাজলৈ আহিছে নতুন চিন্তাধাৰ, উন্নততৰ জীৱনযাত্ৰাৰ আহিলা। সেইবোৰকো জীৱন্ত সংস্কৃতিয়ে সদায় গ্ৰহণ কৰি আহিছে। সমাজযুক্ত মানুহখিনিয়ে যদি বাহিৰৰ চিন্তাধাৰা গ্ৰহণ নকৰে, একমাত্ৰ নিজৰ আওপুৰণি চিন্তাধাৰাখিনিকে মূলধন কৰি বহি থাকে, তেন্তে সেই সমাজ-সংস্কৃতিৰ কেতিয়াও উন্নতি হ'ব নোৱাৰে। যি সংস্কৃতিয়ে মাথোঁ পুৰণিখিনিকে সংৰক্ষণ কৰে, কাৰো দান গ্ৰহণ নকৰে অথবা বাহিৰৰ একোকেই গ্ৰহণ কৰিবলৈ ইচ্ছুক নহয়, সেই সংস্কৃতি ক্ৰমে মৃত্যুমুখত পতিত হোৱাৰ সম্ভাৱনা থাকে। দৰাচলতে, গ্ৰহণ-বৰ্জন আৰু আদান-প্ৰদানেই হ'ল জীৱন্ত সংস্কৃতিৰ ধৰ্ম।

অৱশ্যে কোনো সংস্কৃতিয়ে আন কোনো সংস্কৃতিৰ উপাদান গ্ৰহণ কৰাৰ ক্ষেত্ৰত নীতিগত কোনো বিৰোধ নাথাকিলেও মাত্ৰাগত বিৰোধ এটি থাকে। কোনো সংস্কৃতিয়ে যদি নিৰ্বিচাৰে গ্ৰহণ কৰিয়েই গৈ থাকে, তেনেহ'লে এটা সময়ত বহিৰাগত সংস্কৃতিৰ প্ৰাচুৰ্য আৰু প্ৰাবল্যত নিজস্ব সংস্কৃতিৰ বিকাশৰ পথ ৰুদ্ধ হ'ব পাৰে, এনেকৈ অস্তিত্ব বিপন্ন হোৱাৰো আশংকা উপস্থিত হ'ব পাৰে। সেয়ে আন-সংস্কৃতিৰ উপাদান গ্ৰহণৰ ক্ষেত্ৰত গ্ৰহণ ক্ষমতাৰ ওপৰত দৃষ্টি ৰাখিব লাগে। লগতে উপাদানৰ মাত্ৰা সম্পৰ্কেও সচেতন হোৱাতো জৰুৰী। নহ'লে নিজস্ব সংস্কৃতি অতিশয় বিজতৰীয়া হোৱাৰ সম্ভাৱনা থাকে। তথাপি এই কথা ঠিক যে কোনো সংস্কৃতিৰে নিজস্ব, নিৰ্দিষ্ট কোনো স্পষ্ট সীমাৰেখা নাই। কোন সংস্কৃতিৰ ক'ত আৰম্ভণি আৰু ক'ত শেষ— সেই কথা স্পষ্ট ৰূপত নিৰ্ণয় কৰা নাযায়। আমি অতি সহজেই যিদৰে দেশৰ ভৌগোলিক অৱস্থানৰ সীমাৰেখা নিৰ্ধাৰণ কৰিব পাৰো, সংস্কৃতিৰ সীমাৰেখা সিমান সহজতে কৰিব নোৱাৰো। দিনৰ পোহৰ যিদৰে নিজৰ শেষ সীমাৰ সুস্পষ্ট কোনো চিন নৰখাকৈ ৰাতিৰ আন্ধাৰত বিলীন হৈ যায়, এটা সাংস্কৃতিক উপাদানো সেইদৰে আন এটা সংস্কৃতিৰ মাজত অতি সন্তৰ্পণে সোমাই পৰে। এইদৰেই এটা সংস্কৃতিৰ পৰিধি বহিৰাগত সাংস্কৃতিক উপাদানৰ অন্তৰ্ভুক্তিৰ দ্বাৰা সমৃদ্ধ হৈ উঠে। এই সাংস্কৃতিক উপাদানবোৰক বাদ দি সামাজিকভাৱে আমাৰ জীৱনধাৰা চলি থাকিব নোৱাৰে।

# ৰাজ্যত বিদ্ৰোহৰ উকমুকনি

(প্ৰথম পৃষ্ঠাৰ পৰা)বাংলাদেশত ধৰ্মীয় নিৰ্যাতনৰ পৰা পলায়ন কৰা মটুয়াছৰ পৰা কোনেও নাগৰিকত্বৰ অধিকাৰ কাঢ়ি নিব নোৱাৰে। কংগ্ৰেছৰ সাংসদ আব্দুল খালেকে কয় যে কেন্দ্ৰই বাংলাদেশৰ ওপৰত হেঁচা প্ৰয়োগ কৰি তাত বসবাস কৰা হিন্দুসকলক যাতে কোনো ধৰ্মীয় নিৰ্যাতনৰ বাবে ভাৰতত প্ৰৱেশ নকৰে। ভাৰতে বাংলাদেশক মুকলি হাতেৰে সাহায্য প্ৰদান কৰে যদিও হিন্দুৰ সুৰক্ষা নিশ্চিত কৰিবলৈ তেওঁলোকৰ চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰিব নোৱাৰে, বৰঞ্চ আমাৰ বিজেপি চৰকাৰে ধৰ্মীয় নিৰ্যাতনৰ অজুহাতত হিন্দুসকলক ইয়ালৈ অনাৰ চেষ্টা কৰিছে। বৰপেটা লোকসভাৰ সাংসদগৰাকীয়ে অভিযোগ উত্থাপন কৰে যে হিন্দুসকলৰ কাৰ্যৰ পক্ষপাতী বুলি দাবী কৰা বিজেপিয়ে 'কা'ৰ জৰিয়তে বাংলাদেশৰ বিখ্যাত ঢকেশ্বৰী মন্দিৰ বন্ধ কৰাৰ লক্ষ্য লৈছে। ''সাম্প্ৰদায়িক অত্যাচাৰৰ অজুহাত দেখুৱাই যদি সকলো হিন্দুক ভাৰতলৈ অনা হয়, তাতে কাক এৰি দিয়া হ'ব, আনকি মন্দিৰত লেম্প জ্বলাবলৈও? '' খালেকে কয়। অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে কংগ্ৰেছে 'কা'ক প্ৰতিহত কৰিব কাৰণ ই অসম চুক্তিৰ বিধানৰ বিৰোধী। তেওঁ কয়, ''অসম চুক্তিয়ে ১৯৭১ চনৰ ২৫ মাৰ্চক ৰাজ্যখনত অবৈধ বিদেশী চিনাক্তকৰণৰ তাৰিখ হিচাপে নিৰ্ধাৰণ কৰিছে। ইয়াৰ বিৰুদ্ধে যোৱা কোনো আইন আমি মানি নলওঁ। '' অসম জাতীয় পৰিষদৰ মুৰব্বী লুৰিণজ্যোতি গগৈয়ে কয় যে ৰাজ্যৰ ৰাইজে 'কা'ৰ দৰে অসাংবিধানিক'' আইন প্ৰণয়নক সহ্য নকৰে। আমাৰ দেশৰ ধৰ্মনিৰপেক্ষতাৰ সাৰমৰ্মৰ (চতুৰ্দশ পৃষ্ঠালৈ)

# ৰাজ্যত বিদ্ৰোহৰ উকমুকনি

(ত্ৰয়োদশ পৃষ্ঠাৰ পৰা) বিৰুদ্ধে যোৱা এনে অসাংবিধানিক আইন জাপি দিয়াটো জনসাধাৰণে কেতিয়াও সহ্য নকৰে। গগৈয়ে কয় যে অসম বিদেশীৰ কোনো অতিৰিক্ত বোজা ল'বলৈ সাজু নহয়, আৰু প্ৰধানমন্ত্ৰীক তেওঁৰ গৃহ ৰাজ্য গুজৰাটত দেশত প্ৰৱেশ কৰা হিন্দুসকলক পুনৰ সংস্থাপন কৰিবলৈ কয়। বিজেপিৰ বিধায়ক জিতু গোস্বামীয়ে অৱশ্যে দৃঢ়তাৰে কয় যে কেশৰ দলটো কল্যাণমূলক আঁচনি হওক বা আন বিষয়েই হওক ঘোষণা পালনৰ বাবে জনাজাত। "বিজেপিয়ে সদায় নিজৰ কথা পালন কৰে। ২০১৪ চনৰ ৩১ ডিচেম্বৰ বা তাৰ আগতে বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ পৰা ভাৰতত প্ৰৱেশ কৰা হিন্দু, জৈন, খ্ৰীষ্টান, শিখ, বৌদ্ধ আৰু পাৰ্চীসকলক ইয়াত পাঁচ বছৰ বাস কৰাৰ পিছত ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰিব বিচাৰিছে কা-এ। সংসদৰ দুয়োটা সদনে ইয়াক গৃহীত কৰি ২০১৯ চনৰ ডিচেম্বৰ মাহত ৰাষ্ট্ৰপতিৰ সন্মতি প্ৰদান কৰে যদিও নিয়মসমূহ এতিয়াও অৱগত কৰা হোৱা নাই।

**আনপিনে** শিৱসাগৰ চহৰৰ মাজমজিয়াৰ দৌল মুখ চাৰিআলিত আজি কৃষক মুক্তি, ছাত্ৰ মুক্তিয়ে 'কা' বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী সকলে অসমত জাতিবিৰোধী 'কা' গৃহীত কৰিবলৈ দিয়া নহ'ব, অমৃত শ্বাস হুচিয়াৰ, বদনৰূপী হিমন্ত বিশ্ব শৰ্মা হুচিয়াৰ, হিমন্ত বিশ্ব গ বেক, পঞ্চ শ্বহীদৰ তেজৰ মূল্য আমি পাহৰা নাই, 'কা' আমি নামনো আদি শ্লোগানেৰে পৰিবেশ উত্তাল কৰি তোলে। প্ৰতিবাদ স্থলীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ঋতুমণি হাজৰিকাই কয় অসমত 'কা' গৃহীত কৰিবলৈ দিয়া নহ'ব। বদনৰূপী হিমন্ত বিশ্ব শৰ্মাৰ কুটিল চক্ৰান্তৰ বাবেই ৰাজ্যিক গৃহ মন্ত্ৰী অমৃত শ্বাহে অহা মাৰ্চ মাহৰ 'কা' গৃহীত কৰা হ'ব বুলি কবলৈ সাহস কৰিছে। অসমীয়াই 'কা' বিৰোধিতা কৰিয়েই পাঁচজনকৈ তেজাল যুৱকক অসম বাসীয়ে হেৰুৱাই থৈছে। গতিকে পাঁচজন তেজাল যুৱকৰ তেজৰ মূল্য কৃষক মুক্তি, ছাত্ৰ মুক্তি আৰু অসমবাসীয়ে পাহৰা নাই। জাতিবিৰোধী 'কা' গৃহীত কৰাৰ চেষ্টা কৰিলে হাজাৰজন অসমীয়া বুকু পাতি দিবলৈ, হাজাৰজন অসমীয়া জেইলত যাবলৈ সাজু হৈ আছোঁ বুলি হুংকাৰ দিয়ে। এফালেদি বিজেপি চৰকাৰে এজনো বিদেশী অসমলৈ অহা নাই বুলি জনসাধাৰণক আভুৱা ভাৰি 'কা'ৰ জৰিয়তে লাখ লাখ বিদেশীক ৰঙা দলিছা পাৰি বিজেপি চৰকাৰখন চিৰযুগমীয়া কৰাৰ কৌশল ৰচনা কৰিছে। অহা নিৰ্বাচনত বিজেপি চৰকাৰ আৰু বদনৰূপী হিমন্ত বিশ্ব শৰ্মাক গাদীৰ পৰা অসমীয়াই নমাই অনা হ'ব বুলি কোৱাৰ লগতে অসমীয়া জাতিৰ ইতিহাসত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা এজন কুলঙ্গাৰ মুখ্যমন্ত্ৰী হিচাপে চিহ্নিত হৈ ৰব বুলি কয়। আগন্তুক দিনত জাতিবিৰোধী 'কা' বাতিলৰ দাবীত ঐতিহাসিক শিৱসাগৰ দৌলমুখ চাৰিআলিৰ পৰা আৰম্ভ হোৱা সংগ্ৰামখন গাওঁৰে নগৰে জনতাক একত্ৰিত কৰি প্ৰতিবাদ সাব্যস্ত কৰা হব বুলি হুংকাৰ প্ৰদান কৰাৰ লগতে চৰকাৰৰ কথামতে উঠাবহা কৰা এচামক কোনো কাৰণতে ৰাজপথৰ সংগ্ৰাম খনক খেল পথাৰলৈ নিবলৈ দিয়া নহ'ব বুলি কয় আৰু অসমৰ জনতাক পুনৰ ৰাজপথলৈ ওলাই বিজেপি চৰকাৰৰ কুটিল ষড়যন্ত্ৰৰ বিৰুদ্ধে 'কা' বিৰোধিতা কৰিবলৈ আহ্বান জনায়। প্ৰতিবাদ স্থলীত কৃষক মুক্তি শিৱসাগৰ জিলাৰ উপসভাপতি উমেছ চুলাধৰা, ছাত্ৰ মুক্তিৰ কাৰ্যকৰী সভাপতি মঞ্জিত ভুঞা, সহ সাধাৰণ সম্পাদক চান্দ্ৰীপ গগৈ, সাংগঠনিক সম্পাদক ৰাহুল গগৈ উপস্থিত থাকি জাতিবিৰোধী 'কো' গৃহীত কৰিবলৈ নিদিয়াৰ হুংকাৰ প্ৰদান কৰে।

# 'কা' আহি আছে....

(প্ৰথম পৃষ্ঠাৰ পৰা) দিছিল। ইয়াৰ পিছত প্ৰায় ২ বছৰ পাৰ হৈ গ'ল যদিও আইন প্ৰণয়ন হোৱা নাই। ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে এই আইন কাৰ্যকৰী কৰিবলৈ গেৰুৱা শিবিৰৰ ওপৰত হেঁচা বঢ়াইছে মাতুয়াৰাই। নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত ৰাজ্যলৈ আহি হয়তো সেইবাবেই 'কা' বিষয়টো পুনৰ শ্বাহৰ মুখত শুনা গ'ল। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে 'কা' কেন্দ্ৰৰ আইন। ৰাজ্যই চেষ্টা কৰিলেও ইয়াক ৰোধ কৰিব নোৱাৰিব।" তেওঁ স্পষ্টকৈ ঘোষণা কৰিছে যে এই আইন ৰাজ্যত কাৰ্যকৰী নহ'ব। শ্বাহৰ বক্তব্য, "তৃণমূলে ৰাজ্যত প্ৰৱেশৰ বাবে উচটনি দিছে।" সেইবাবেই মমতাই 'কা' কাৰ্যকৰী কৰিব নিবিচাৰে। কিন্তু এয়া দিল্লীৰ আইন। চেষ্টা কৰিলেও বন্ধ কৰিব নোৱাৰি।" অমিত শ্বাহে শৰণাৰ্থীসকলক কৈছে, "এই দেশৰ এজন হিন্দু নাগৰিকৰ সমানেই অধিকাৰ।" শৰণাৰ্থীসকলৰো একে অধিকাৰ আছে।"

আনপিনে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কয়, "বংগত অনুপ্ৰৱেশে চৰম সীমাত উপনীত হৈছে।" অসমৰ ৰাইজে বিজেপি চৰকাৰ নিৰ্বাচিত কৰিছে, আজি ৰাজ্যৰ সীমান্তত প্ৰৱেশ কৰাৰ সাহস নাই এজনো বিদেশীৰ। শ্বাহে অভিযোগ কৰে যে বংগ চৰকাৰে অনুপ্ৰৱেশ বন্ধ কৰিব নোৱাৰিলে। এসময়ত অনুপ্ৰৱেশৰ বিষয়ত সংসদক কাম কৰিবলৈ নিদিয়া মমতা বেনাৰ্জীয়ে নিজৰ কাৰ্যকালত বহু আধাৰ কাৰ্ড-ভোটাৰ কাৰ্ড ৰাজ্যৰ অনুপ্ৰৱেশকাৰীক বিতৰণ কৰা হৈছে। অৱশ্যে মুখ্যমন্ত্ৰী মৌন। টকা লৈ আধাৰ কাৰ্ড-ভোটাৰ কাৰ্ড দিয়া হৈছে।" **ইয়াৰ দুদিন পূৰ্বে** কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী অজয় মিশ্ৰই দেওবাৰে কয় যে নাগৰিকত্ব সংশোধনী আইন চমুকৈ 'কা'ৰ চূড়ান্ত খচৰা অহা বছৰৰ ৩০ মাৰ্চৰ ভিতৰত সাজু হোৱাৰ সম্ভাৱনা আছে। উত্তৰ ২৪ পৰগনা জিলাৰ ঠাকুৰনগৰত মতুৱা সম্প্ৰদায়ৰ এখন সভাত ভাষণ দি তেওঁ এই কথা কয়। মতুৱা জনগোষ্ঠীৰ পৰা নাগৰিকত্বৰ অধিকাৰ কোনেও কাঢ়ি নিব নোৱাৰে বুলিও তেওঁ কয়। জনা যায় যে বিভাজনৰ সময়ত মতুৱা সম্প্ৰদায়ৰ বৃহৎ সংখ্যক লোকে পশ্চিমবংগত আশ্ৰয় লৈছিল। তেওঁ কয় যে যোৱা কেইবছৰমানৰ পৰা কা ৰূপায়ণৰ প্ৰক্ৰিয়াই গতি লাভ কৰিছে। সমস্যা সমাধানৰ কাম চলি আছে। স্থানীয় বিজেপি সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী শান্তনু ঠাকুৰে তেওঁক সমৰ্থন কৰে। ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে ভাৰতত প্ৰৱেশ কৰা আফগানিস্তান, বাংলাদেশ আৰু পাকিস্তানৰ হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী আৰু খ্ৰীষ্টানসকলক ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ ব্যৱস্থাত আছে। এই দাবীৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তৃণমূল কংগ্ৰেছৰ ৰাজ্যসভাৰ সদস্য শান্তনু সেনে কয় যে বিজেপিয়ে মাতুৱা আৰু কাক নিৰ্বাচনৰ সময়তহে স্মৰণ কৰে। তেওঁ কয় যে বিজেপিৰ ভুৱা দাবী মতুৱা আদিৰ বাবে স্পষ্ট হৈ পৰিছে।

**কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী গৰাকীৰ এই মন্তব্যৰ পাছতে জাঙুৰ খাই উঠিছে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ**

**ষ্টাফ ৰিপ'ৰ্টাৰ, নতুন স্বদেশ ,২৭ নৱেম্বৰ ঃ** নাগৰিকত্ব সংশোধনী আইন চমুকৈ 'কা' সন্দৰ্ভত পুনৰ গৰজি উঠিল পৰিষদৰ সভাপতি পলাশ চাংমাই। সংবাদ মাধ্যমৰ সৈতে হোৱা এক বাৰ্তালাপত পলাশ চাংমাইয়ে অসমত কোনো কাৰণতে 'কা' বলৱৎ হ'ব দিয়া নহ'ব বুলি হুংকাৰ প্ৰদান কৰে। ইয়াৰ অন্যথা ২০১৯ৰ দৰে পৰিৱেশ হ'ব বুলিও তেওঁ সকিয়াই দিয়ে। সংবাদ মাধ্যমৰ আগত পৰিষদৰ সভাপতি গৰাকীয়ে কয় যে, নিৰ্বাচন আহিলেই বিজেপিৰ সাংসদ -বিধায়ক সকলে নাগৰিকত্ব সংশোধনী বিধেয়ক আইনখন প্ৰযোজ্য কৰা হ'ব বুলি বক্তব্য প্ৰদান কৰে।

বিশেষকৈ এই আইন খনৰ কথা কৈ তেওঁলোকে পশ্চিম বংগত তেওঁ লোকৰ দলৰ সাংগঠনিক স্থিতি মজবুত কৰিব বিচাৰে। কিন্তু হৈ যোৱা নিৰ্বাচনত আমি দেখিছোঁ এই যিখন 'কা' আইনৰ কাৰ্ড এই কাৰ্ড খনে পশ্চিম বংগত কাম কৰা নাই। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে কোনো কাৰণতে অসমত 'কা' আইন অসমত প্ৰযোজ্য হ'ব নিদিয়ে। এই কথাও ঠিক বিজেপিৰ মন্ত্ৰী, বিধায়কে এই আইনখন প্ৰযোজ্য হ'ব বুলি কলেই আজিৰ তাৰিখত এই আইনখন প্ৰযোজ্য নহয়। কাৰণ দেশৰ সৰ্ব্বোচ্চ ন্যায়ালয়ত এই আইনখনক লৈ গোচৰ চলি আছে। এই গোচৰটো সন্দৰ্ভত শপত নামাকে আজিলৈকে দিব পৰা নাই কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ত এই গোচৰটোত সহযোগিতা কৰা নাই বাবে গোচৰটো আগবঢ়া নাই। গতিকে বিজেপিয়ে কেবল মাত্ৰ ৰাজনীতি কৰিবৰ বাবেই 'কা' আইন প্ৰযোজ্য কৰাৰ কথা কয়

**কা' বলৱৎ হ'লে আকৌ হ'ব আন্দোলন**

২০২৪ চনৰ মাৰ্চত দেশত 'কা' বলৱৎ কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহৰাজ্য মন্ত্ৰী অজয় মিশ্ৰই কৰা মন্তব্যৰ পিছতে ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞা, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈকে আদি কৰি বিৰোধী নেতাসকলে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কেন্দ্ৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে সৰৱ হৈ অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয় যে, অসমত আমি কোনো কাৰণতে বিদেশীৰ বোজা ল'ব নোৱাৰোঁ। ইয়াত জনতাই সিদ্ধান্ত ল'ব। অসমলৈ 'কা' আহিলে নিশ্চিতভাৱে আন্দোলন হ'ব। ৰাজ্যজুৰি সকলো দল-সংগঠনৰ ঐক্যবদ্ধ আন্দোলন হ'ব। এই বিষয়ে আলোচনা কৰা হ'ব। অসম জাতীয় পৰিষদৰ নেতা লুৰীণজ্যোতি গগৈয়ে স্পষ্টভাৱে কয় যে, যি জনে ২০২৪ চনত বলৱৎ হ'বই বুলি মন্তব্য কৰিছে তেওঁ অযুক্তিকৰ কথা কৈছে। ১৯৭১ চনৰ পিছৰ বিদেশীৰ বোজা অসমে ল'ব নোৱাৰোঁ। যদি এই বোজা প্ৰধানমন্ত্ৰীয়ে ল'ব বিচাৰে সকলোকে গুজৰাটলৈ লৈ যাওক, তাত আমাৰ বিৰোধ কৰিব লগা একো নাই। আনহাতে ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাই কয় যে, 'কা' সন্দৰ্ভত কৰা এই মন্তব্য একমাত্ৰ নিৰ্বাচনকেন্দ্ৰিক। বিজেপিৰ কথাৰ উমান পাবলৈ টান। নিৰ্বাচনৰ সময়ত 'ইচ্যু' সৃষ্টি কৰাটো বিজেপিৰ ধৰ্ম। ইপিনে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, 'কা' অহালৈ বিজেপিৰ চৰকাৰেই নাথাকিব। অহা ডিচেম্বৰতে পাম যাব বিজেপি চৰকাৰৰ। উল্লেখ্য যে, ২০১৯ চনৰ শেষৰ ফালে আৰু ২০২০ চনৰ আৰম্ভণিতে অসমত ব্যাপক ৰূপ লৈছিল 'কেব' আৰু পৰৱৰ্তী সময়ত 'কা' বিৰোধী আন্দোলনে। ৰাজ্যৰ প্ৰায় সকলো প্ৰান্তৰ পৰা ৰাইজ ওলাই আহিছিল এই আইনৰ বিৰোধিতা কৰিবলৈ। ইয়াৰ ফলত প্ৰায় অচল হৈ পৰিছিল ৰাজ্যৰ স্বাভাৱিক জীৱন-যাত্ৰা। ইণ্টাৰনেট পৰ্যন্ত বন্ধ কৰি দিয়া হৈছিল অসমত। এই আন্দোলনৰ সময়তে আৰক্ষী গুলীত প্ৰাণ হেৰুৱাইছিল পাঁচগৰাকীকৈ অসমীয়া যুৱকে। এতিয়া পুনৰ 'কা' বলৱৎ কৰিব খোজা বিষয়টোত ৰাইজৰ মাজত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় সেয়া লক্ষণীয় হ'ব।

# জাতিটোৰ সন্ধিক্ষণ আৰু আমাৰ কৰণীয়

পিয়াজ, আটা ময়দা আদি খাদ্যসামগ্ৰী, গৰুবিহুৰ বাবে পঘাদাল, মাখিয়তী গছৰ ঠালটো, বিহুৰ বিহুৱানখন, কাপোৰ কেইযোৰ কিনিছো তেনেধৰণৰ অনা-অসমীয়া ব্যৱসায়ীৰ পৰা, নিতৌ চুলি-দাড়ি খুৰাবলৈ বিহাৰি চেলুনলৈ গৈছো, ঘৰত সাধাৰণ ঘৰুৱা কাম-বন কৰাবলৈও হাজিৰা দি নিয়োগ কৰিছো কোনো সন্দেহজনক বিদেশী পুৰুষ মহিলাক । আঘোণমহীয়া ধান দাবলৈ, শাওনৰ পথাৰত ধান ৰুবলৈ সেইসকল নহ'লৈই নোহোৱাৰ নিচিনা। ৰিক্সা, থেলা আদি চলোৱা কেইজন অসমীয়া যুৱক আছে? মুঠতে তেওঁলোক নহ'লে যেন আজি অসমীয়া অচল। অসমীয়া ডেকাই কাম কৰিবলৈ লাজ কৰে। যাৰ বাবে দিনকদিনে আমিয়েই এই সন্দেহজনক বিদেশী অথবা অনা-অসমীয়া লোকসকলক বৰপীৰা পাৰি বহুৱাইছো। অসমীয়া ডেকাই আজি তিনিআলি-চাৰিআলিৰ দোকানৰ সন্মুখত চাধা-চিগাৰেট সেৱন কৰি, আড্ডা মাৰি ঘন্টাৰ পাছত ঘন্টা অপব্যয় কৰে, অথচ ঘৰত নিজে হালখন বাই মাটি কেইদৰাত খেতি কৰিবলৈ, ঘৰৰ সন্মুখত চেলুন এখন খুলিবলৈ লাজ কৰে। দোকান এখন দি নিজৰ উপাৰ্জনৰ পথ মোকলাবলৈ মুঠেও আগ্ৰহী নহয়। মাত্ৰ নিজকে 'বেকাৰ' বুলি ভাগ্যক ধীয়াই পুৱা-গধূলি চাৰিআলিৰ মূৰৰ দোকানত আড্ডা দি, পৰ-সমালোচনা কৰি, দিনৰ দিনটো মোবাইল পিতিকি থাকি নিজৰ জীৱনৰ বহুমূলীয়া সময়খিনি অপব্যয় কৰে। আজিৰ নিবনুৱা বুলি ভাগ্যক ধীয়াই এনেদৰে দোকানৰ সন্মুখত আড্ডা মাৰি সময় নষ্ট কৰা ডেকাহঁতে যদি প্ৰত্যেকেই কাম কৰিম বুলি ওলাই আহি বিভিন্ন ব্যৱসায়, খেতি বাতি আদি কৰি, চেলুন খুলি নিজৰ ভৰিত নিজে থিয় দিয়ে, তেন্তে এইসকলে অসমত এনেদৰে দপ্-দপাবলৈ সাহ পাবনে? আজি অসমীয়া ডেকাই পথাৰত হাল বাই , ধান ৰুই - কাটি, ঘৰৰ মাটিকেইদৰাত নিজে কৰা কবি, আলু, গাজৰ আদি শাক-পাচলি বজাৰলৈ নি বিক্ৰী কৰি, বিভিন্ন দোকান-ব্যৱসায় আৰম্ভ কৰি, চেলুন খুলি, ৰিক্সা, থেলা আদি চলাই, লাখ লাখ বিঘা গ্ৰেজিং বা চৰণীয়াভূমি সন্দেহজনক বিদেশীৰ কবলৰ পৰা মুকলি কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক বাধ্য কৰিব পাৰিলে নিশ্চয় কৰ্মঠ আৰু স্বাৱলম্বী অসমীয়া জাতি হিচাপে আমি আগুৱাই গৈ এদিন বিশ্বদৰবাৰত মূৰ থিয় কৰি চিনাকি দিব পাৰিম।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই 'অসম সংগীত'ত লিখিছিল " আমি অসমীয়া নহও দুখীয়া কিহৰ দুখীয়া হ'ম ? .... সকলো আছিল, সকলো আছে, নুবুজো নলওঁ গম।" সঁচা আমাৰ মাতৃভূমি অসমত নাই কি? অতীতৰে পৰা অসম নিজস্ব মহিমাৰে উজ্জীৱিত এখন ৰাজ্য। (আগলৈ)

# বৰ্ষাপাৰা টি-টুৱেন্টীত বিধ্বস্ত ভাৰত

## বিশাল স্ক'ৰ কৰিও পৰাস্ত ঃ অন্তিম অভাৰত ২১ ৰাণো ৰখাব নোৱাৰিলে




পাঁচখন খেলৰ টি-২০ শৃংখলাৰ তৃতীয়খন খেল ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত হয়। এই খেলখন গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হৈছিল। অষ্ট্ৰেলিয়াৰ অধিনায়ক মেথিউ ৱেডে টছত জয়লাভ কৰি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। প্ৰথমে বেটিং কৰি ভাৰতে ২০ অভাৰত ২২২ ৰান সংগ্ৰহ কৰে। ইয়াৰ উত্তৰত মেক্সৱেলৰ শতকৰ বাবেই অষ্ট্ৰেলিয়াই জয়লাভ কৰে, টিম ইণ্ডিয়াই শেষ অভাৰত ২১ ৰান ৰক্ষা কৰিব নোৱাৰিলে। তৃতীয় টি-২০ত ভাৰতক ৫ উইকেটত পৰাস্ত কৰিছে অষ্ট্ৰেলিয়াই। প্ৰথমে বেটিং কৰি ভাৰতে ২০ অভাৰত তিনিটা উইকেট হেৰুৱাই ২২২ ৰান সংগ্ৰহ কৰে। ঋতুৰাজ গাইকৱাদে ৫৭টা বলত ১২৩ ৰানৰ ইনিংছ খেলিছিল। প্ৰত্যুত্তৰত ভাৰতীয় দলটোৱে শেষ অভাৰত ২১ ৰান ৰক্ষা কৰিব লগা হয়। প্ৰসিদ্ধ কৃষ্ণই বলিং কৰি আছিল, কিন্তু টিম ইণ্ডিয়াই এই ৰান ৰক্ষা কৰিব নোৱাৰিলে। মেক্সৱেল আৰু ৱেডে ইমান ৰান সংগ্ৰহ কৰি অষ্ট্ৰেলিয়াক জয়ৰ দিশে আগুৱাই লৈ যায়। শেষৰ অভাৰৰ প্ৰথম বলত ৱেডে চাৰিটা আঘাত কৰে। তাৰ পিছত দ্বিতীয় বলত এটা ৰান আহিল। ইয়াৰ পিছত মেক্সৱেলে তৃতীয় বলত ছয় কৰে। তাৰ পিছত চতুৰ্থ বলত চাৰিটা মাৰিলে। টি-২০ ইন্টাৰনেশ্যনেলত মেক্সৱেলে পঞ্চম বলত ফোৰ মাৰি চতুৰ্থ শতক সম্পূৰ্ণ কৰে। তেওঁ ৪৭টা বলত শতক অৰ্জন কৰে। শেষৰ বলত অষ্ট্ৰেলিয়াক দুটা ৰানৰ প্ৰয়োজন হৈছিল আৰু মেক্সৱেলে চাৰিটা মাৰি নিজৰ দলটোক জয় প্ৰদান কৰিছিল। মেক্সৱেলে ৪৮ টা বলত ১০৪ ৰান সংগ্ৰহ কৰি অপৰাজিত হৈ থাকে। একে সময়তে মেথিউ ৱেডে ১৬ টা বলত ২৮ ৰান সংগ্ৰহ কৰি অপৰাজিত হৈ থাকে। মেক্সৱেল এতিয়া ৰোহিত শৰ্মাৰ সৈতে টি-২০ ইন্টাৰনেশ্যনেলত সৰ্বাধিক শতক অৰ্জন কৰা বেটছমেন হিচাপে পৰিগণিত হৈছে। এই জয়ৰ জৰিয়তে অষ্ট্ৰেলিয়াই পাঁচখন মেচৰ টি-২০ ছিৰিজত পুনৰ আগমন ঘটাইছে। এই শৃংখলাত এতিয়াও ২-১ গ'লত আগবাঢ়ি আছে ভাৰত। অহা ১ ডিচেম্বৰত ৰায়পুৰত অনুষ্ঠিত হ'ব এই শৃংখলাৰ চতুৰ্থখন খেল। গ্লেন মেক্সৱেলে ২৮ টা বলত টি-২০ কেৰিয়াৰৰ একাদশ অৰ্ধশতক অৰ্জন কৰে। আৰ্শদীপ সিঙৰ ৰিভাৰ্ছ লেপত ছয়টো মাৰি তেওঁ নিজৰ অৰ্ধশতক সম্পূৰ্ণ কৰে। যোৱা পাঁচ অভাৰত অষ্ট্ৰেলিয়াক ৭৮ ৰানৰ প্ৰয়োজন।

## সোণতলীৰ ৰাঙ্গাপানীত দিবা-নৈশ ক্ৰিকেট টুৰ্ণামেণ্ট

# নগৰবেৰা ক্ৰিকেট ক্লাৱ চেম্পিয়ন



কামৰূপ জিলাৰ সোণতলীৰ ৰাঙ্গাপানী আঞ্চলিক ক্ৰিকেট সন্থাৰ উদ্যোগত তিনিদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হোৱা দিবা-নৈশ ক্ৰিকেট টুৰ্ণামেণ্ট পুৱতি নিশা সফলভাৱে সামৰণি পৰে। উক্ত টুৰ্ণামেণ্টোত বিভিন্ন ঠাইৰ পৰা প্ৰায় ৩০খন দলে অংশ গ্ৰহণ কৰে, পুৱতি নিশা প্ৰায় ৩ মান বজাত নগৰবেৰা ক্ৰিকেট ক্লাৱ আৰু সোণতলী জুনিয়ৰ ক্ৰিকেট ক্লাৱৰ মাজত চূড়ান্ত খেলখন অনুষ্ঠিত হয়। চূড়ান্ত খেলখনত নগৰবেৰা ক্ৰিকেট ক্লাৱে সোণতলী ক্ৰিকেট ক্লাৱক পৰাজিত কৰি চূড়ান্ত চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। উক্ত অনুষ্ঠানটোত মুখ্য অতিথি হিচাবে ছয়গাওঁ সমষ্টিৰ বিধায়ক ৰেকিব উদ্দিন আহমেদ মাজ নিশা প্ৰায় তিনি শতাধিক দলীয় কৰ্মী সমৰ্থকক লগত লৈ খেল পথাৰত উপস্থিত হয়। ৰাইজে বিধায়ক গৰাকীক উষ্ম আদৰণি জনায় লগতে খেল পথাৰত এক উখল মাখল পৰিৱেশৰ সৃষ্টি হয়। ৰাঙ্গাপানী আঞ্চলিক ক্ৰিকেট সন্থাৰ সভাপতি সাগৰ আলীৰ পৌৰোহিত্যত ৰাঙ্গাপানী অঞ্চলৰ গণ্যমান্য ব্যক্তি সকলে উপস্থিত থকা সভাত বিধায়ক ৰেকিব উদ্দিন আহমেদে ভাষণ প্ৰদান কৰে। উল্লেখ্য যে পুৱতি নিশা লৈকে সহস্ৰাধিক দৰ্শকে উত্তেজনাপূৰ্ণ চূড়ান্ত খেলখন উপভোগ কৰে। খেলৰ অন্তত চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰা নগৰবেৰা ক্ৰিকেট ক্লাৱক ৩১,০০১ টকা নগদ ধনৰ লগতে এখন ট্ৰফী, দ্বিতীয় স্থান প্ৰাপ্ত সোণতলী জুনিয়ৰ ক্ৰিকেট ক্লাৱক ২১,০০১ টকা নগদ ধনৰ লগতে এখন ট্ৰফী আৰু ধীৰাজ কলিতাক ম্যান অপ দ্যা মেচৰ খিতাপ প্ৰদান কৰে আয়োজক সমিতিয়ে।

## আন্তঃৰাষ্ট্ৰীয় টাইকোৱানডো চেম্পিয়নশ্বিপত দৰঙৰ দেৱাশিস গৌতমৰ স্বৰ্ণ জয়

দৰঙৰ পাথৰিঘাটৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লেঙেৰীয়াঝাৰ কৃষক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ দেৱাশিস গৌতমে কলিকতাত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় টাইকোৱানডো চেম্পিয়নশ্বিপত অসম দলক প্ৰতিনিধিত্ব কৰি স্বৰ্ণ পদক লাভ কৰি বৃহত্তৰ অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিছে। দৰঙৰ হাজৰিকাপাৰা নিবাসী প্ৰকাশ প্ৰাণ শৰ্মা আৰু হিৰণময়ী গোস্বামীৰ পুত্ৰ দেৱাশিস গৌতমে ২০২০ চনৰ পৰা দেওমৰনৈ টাইকোৱানডো ক্লাৱত ঋতুৰাজ শৰ্মাৰ তত্বাৱধানত প্ৰশিক্ষণ আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত ওদালগুৰি জিলাৰ খৈৰাবাৰীৰ ৰকেন কছাৰী আৰু বাক্সা (ত্ৰয়োদশ পৃষ্ঠালৈ)




ASOMIYA BARTAMAN, Printed,Owned and Published by Prabin Thakuria and printed at Pee Gee (India) limited, Kalapahar, Guwahati-16 & Published at WEST BORAGAON, BAKULNAGAR, PO- MALIGAON, DIST- KAMRUP (M), GUWAHATI-781011, ASSAM , Editor : **Prabin Thakuria**

স্বত্বাধিকাৰী প্ৰবীণ ঠাকুৰীয়াৰ দ্বাৰা সম্পাদিত, প্ৰকাশিত আৰু মুদ্ৰিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱা হাটী-১৬ ত মুদ্ৰিত, কাৰ্যালয় ঃ পশ্চিম বৰগাঁও, বকুল নগৰ, কামৰূপ(ম), গুৱাহাটী-১১,অসম

সম্পাদনা উপদেষ্টা ঃ ড° যতীন বৰুৱা    Contact No.- +91 9957192594, E-mail : asomiyabartaman@gmail.com    ■ সম্পাদক ঃ প্ৰবীণ ঠাকুৰীয়া